# কানৈয়ান

৫৭ তম সংখ্যাঃ ২০০৫-০৬ খ্ৰীঃ

**KANOIAN**

Vol. 57 : 2005-06 AD



LIBRARY COPY

সম্পাদক ঃ বিশ্বজিৎ চেতিয়া

# কানৈয়ান

৫৭ তম সংখ্যা ঃ ২০০৫-২০০৬ খ্রীঃ

# KANOIAN

VOL. 57 : 2005 - 06 AD



সম্পাদক ঃ বিশ্বজিৎ চেতিয়া

**KANOIAN :** The 57th Annual Journal of D.H.S.K. College of the session 2005-06, edited by Biswajit Chetia, Published by D.H.S.K. College Student Union Society and Printed at Computech Press, Near Head Post Office, Dibrugarh - 786 001.

**সম্পাদনা সমিতি**

*প্ৰতীক চৌধুৰী*

তত্বাৱধায়ক অধ্যাপক

*ডঃ উষাৰাণী বৰুৱা*

*মৃদুল শৰ্মা*

*সুদক্ষণা দাস*

উপদেষ্টা

*বিশ্বজিৎ চেতিয়া*

সম্পাদক

*দীপাঙ্কৰ চুতীয়া*

*সৌৰভ দলে*

*ৰূপম জ্যোতি শৰ্মা*

*লোহিত ডেকা*

সদস্য

প্ৰচ্ছদ ঃ

***মুকুল শ্বাহ***

প্ৰকাশক ঃ

ছাত্ৰ একতা সভা
ডি. হ. সু. কানৈ মহাবিদ্যালয়
২০০৫-০৬ খ্ৰীঃ

অক্ষৰ বিন্যাস ঃ

*বাবলু হাজৰিকা*

মুদ্ৰক ঃ

কম্পিউটেক প্ৰেছ,
প্ৰধান ডাকঘৰৰ কাষত, ডিব্ৰুগড়-১



ত্যাগ কৰি ত্যাগৰ কাৰণে মনত দুখ পাব লাগিলে ত্যাগৰ মহান আদৰ্শটোৱেই নষ্ট হয়। যি বস্তু অনিষ্টকৰ বুলি ভৰা যায়, তাক এৰি দিয়া যায়, সেই কাৰণে সেই বস্তু এৰি দিয়াত আনন্দ অহা উচিত।

*- মহাত্মা গান্ধী*

# শ্ৰদ্ধাঞ্জলি



অসমৰ সমাজ জীৱন ৰিক্ত কৰি বিদায় লোৱা
বিশিষ্ট গল্পকাৰ, ঔপন্যাসিক,
কথাশিল্পী, সাংবাদিক, সম্পাদক
(মহাৰথী) চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱক
এই বৰ্ষৰ 'কানৈয়ান'
আলোচনীখনৰ দ্বাৰা শ্ৰদ্ধাঞ্জলী অৰ্পন কৰিছো

জন্ম ঃ ৮ জুলাই ১৯২৭
মৃত্যু ঃ ৮ আগষ্ট ২০০৬

# উৎসৰ্গা

ওঁ অসতো মা সদগময়
তমসো মা জ্যোতিৰ্গময়
মৃত্যু মা অমৃতং গময়
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ

... জ্ঞাত অজ্ঞাত যিসকল মহান ব্যক্তিয়ে
কাৰৈ কলেজৰ জন্মলগ্নৰ পৰা বৰ্তমানলৈকে
মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতিৰ বাবে
অহোপুৰুষাৰ্থ কৰি গ'ল সেইসকল পুণ্যাত্মাৰ
পবিত্ৰ স্মৃতিত এই সংখ্যাৰ কাৰৈয়ান
উৎসৰ্গা কৰা
হ'ল -

# অনুক্ৰমণিকা


| | | | পৃষ্ঠা |
|---|---|---|---|
| ***সম্পাদকীয়*** | | | |
| ☞ সম্পাদকৰ একলম | ঃ | বিশ্বজিৎ চেতিয়া | ৯-১০ |
| ☞ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | ঃ | জয়ন্ত কুমাৰ দাস | ১১-১৩ |
| ***অসমীয়া বিভাগ*** | | | |
| ☞ প্ৰতীকধৰ্মিতা আৰু কৰি ইয়েটচ | ঃ | ড° জয়কৃষ্ণ মহন্ত | ১৪-১৭ |
| ☞ বিষাক্ত মৌল আৰ্ছেনিকৰ ব্যৱহাৰ আৰু বিষক্ৰিয়া | ঃ | ড° শিখা শৰ্মা | ১৮-১৯ |
| ☞ গণিতৰ ন'বেল বঁটা ঃ ফিল্ড মেডেল | ঃ | ড° প্ৰিয় দেৱ গোস্বামী | ২০-২১ |
| ☞ সুজাতা (গল্প) | ঃ | বিনোদ কুমাৰ মিশ্ৰ<br>কৃষ্ণকান্ত বৰদলৈ | ২২-২৪ |
| ☞ ৰাজুৰ আদ্দা আৰু ৰাজুৰ প্ৰেম | ঃ | বিশ্বজিৎ চেতিয়া | ২৫-২৮ |
| ☞ অৱশেষত স্বস্তিৰ নিশ্বাস | ঃ | সৌৰভ গগৈ | ২৯-৩০ |
| ☞ আমি কিবা পাহৰি গৈছো নেকি? | ঃ | ৰবীন্দ্ৰজিৎ দাস | ৩১ |
| ☞ যুগ যুগে সমাজ আৰু নাৰীৰ স্থান | ঃ | মৃদুলা বৰুৱা | ৩২-৩৩ |
| ☞ নাঙলৰ মুঠিত | ঃ | হিৰণ্য সোনোৱাল | ৩৪-৩৫ |
| ☞ সংখ্যাৰ বন্ধু ৰামানুজন (১৮৮৭-১৯২০) | ঃ | যোগেন দত্ত | ৩৬ |
| ***কবিতা*** | | | |
| ☞ বিফলতা | ঃ | হিৰণ্য সোনোৱাল | ৩৭ |
| ☞ বেদনা | ঃ | ঝৰ্ণা | ৩৭ |
| ☞ নীৰৱে অকলশৰে নিজানত | ঃ | পাৰ্থ প্ৰতিম বৰ্মণ | ৩৮ |
| ☞ মন আকাশৰ বৰষুণ | ঃ | মিণ্টু কুমাৰ দাস | ৩৯ |
| ☞ অনুভৱ | ঃ | প্ৰণামিকা সন্দিকৈ | ৩৯ |
| ☞ তুমি | ঃ | শ্যামলী চেতিয়া | ৪০ |
| ☞ তাণ্ডৱ জাপানৰ | ঃ | মানস প্ৰতিম ফুকন | ৪১ |
| ☞ প্ৰিয় কানৈয়ান | ঃ | মনালিচা চাংমাই | ৪১ |
| ☞ কানৈয়ান | ঃ | প্ৰদীপ শৰ্মা | ৪২ |
| ☞ তলসৰা পাহি | ঃ | অভিজিৎ পাহি | ৪২ |
| ☞ জীৱনৰ পথত | ঃ | কাকলি দত্ত | ৪৩ |
| ☞ আশা | ঃ | দীপজ্যোতি গগৈ | ৪৪ |
| ☞ এপাহ নতুনকৈ পাহি মেলা ফুল | ঃ | অভিজিৎ হাজৰিকা | ৪৪ |
| ☞ এক অনুভূতি | ঃ | কল্যাণজ্যোতি দেউৰী | ৪৫ |
| ☞ বিশ্বকাপ ক্ৰিকেট ২০০৭ | ঃ | যোগেন দত্ত | ৪৬-৪৭ |
| ☞ সাগিৰিকা | ঃ | জিতুল সোনোৱাল | ৪৮ |
| ☞ সংজ্ঞাহীন শব্দৰ উচুপনি | ঃ | নাশিমা উচুপনি | ৪৮ |
| ☞ পূৰ্ণিমাৰ এটি জোনাক নিশা | ঃ | পপী হাজৰিকা | ৪৯ |
| ☞ অনুভৱ | ঃ | সৌৰভ দলে | ৪৯ |
| ☞ হৃদয়ে মৰম বিচাৰে | ঃ | সুভাষ পাত্ৰ | ৫০ |
| ☞ এতিয়া যে মই যাব নোৱাৰো | ঃ | স্মৃতিৰেখা মোহন | ৫০ |
| ☞ টেনচন | ঃ | শুভাশীষ গগৈ | ৫১ |
| ☞ মাতিবানে কাষলৈ তুমি? | ঃ | বিদ্যুৎ কুমাৰ গগৈ | ৫২ |
| ☞ এদিন | ঃ | জগবীৰ ত্যাগী<br>কৃষ্ণকান্ত বৰদলৈ | ৫২ |
| ☞ অতীত | ঃ | সূৰ্য্য দত্ত | ৫৩ |
| ☞ স্মৃতি | ঃ | | ৫৩ |
| ☞ আশাৰ দোমোজাত | ঃ | টুটুমণি গোঁহাই | ৫৪ |
| ☞ কলীয়া ডাৱৰৰ আৱৰণ | ঃ | হফিজুৰ ৰহমান | ৫৪ |
| ☞ কল্পনাত পৰীণিতা | ঃ | বিভূতি ভূষণ বৰুৱা | ৫৫ |
| ☞ ধেমাজিৰ ছোৱালী তুমি | ঃ | লোহিতা ডেকা (পাপু) | ৫৬ |
| ☞ কথাবোৰ শেষ হৈ গৈছে | ঃ | বিশ্বজিৎ চেতিয়া | ৫৭-৫৮ |

*English Section :-*


| | | | P. No. |
|---|---|---|---|
| ☞ Health | : | Sourab Jyoti Neog | 59-60 |
| ☞ Pollution | : | Suraj Gogoi | 61-62 |
| ☞ DNA Test - A Foresnis Boon | : | Monmie Baruah | 63-64 |
| ☞ A short not on the life of some great ☞ mathematician of the world | : | Jogen Dutta | 65-67 |
| ☞ Amazing Facts | : | Deveranjan Bharali | 68-69 |
| ☞ Back Cencher Syndrome | : | Khushbu Jain | 70 |
| ☞ Love Gas ..... | : | | 71 |
| ☞ My Ambition | : | Humeshwary Das | 72 |
| ☞ You are so special | : | Partha Pratim Saikia | 73 |
| ☞ Easy And Difficult | : | Humeshwary Das | 73 |
| ☞ Michael Crying For Love | : | Michael | 74 |
| ☞ The language of Compassio | : | Huntu Gogoi (Bhai) | 75 |
| ☞ The Habbit of Laughing | : | Jibon Jyoti Sonowal | 75 |
| ☞ Smile | : | Madhusmita Pait | 76 |
| ☞ Some Words of Courage | : | Rupamjyoti Sharma | 76 |
| ☞ Laugh a while | : | Ratan Mishra | 77 |
| ☞ Laugh a Little More | : | Juri Medhi | 78 |
| ☞ Jokes | : | Kabita Chetia | 79-80 |


*বেঙ্গলী বিভাগ ঃ-*


| | | | পৃষ্ঠা |
|---|---|---|---|
| ☞ বিজ্ঞান চর্চায় দুই সাধক | ঃ | দীপায়ন কর | ৮১-৮২ |
| ☞ কাগজ তৈরীর ইতিহাস | ঃ | সঞ্জীব দাস | ৮৩-৮৪ |
| ☞ আজব দুনিয়ার আজব কাহিনী | ঃ | কৌশিক দত্ত | ৮৫-৮৬ |


*কবিতা ঃ-*



| | | | |
|---|---|---|---|
| ☞ ছয় ঋতুং | ঃ | প্রনব দত্ত | ৮৭ |
| ☞ পরমাণু বোমা | ঃ | অন্তরা দত্ত | ৮৭ |
| ☞ মায়েব হাসি | ঃ | প্রনব দত্ত | ৮৮ |


☞ *हिन्दी विभाग :-*


| | | | |
|---|---|---|---|
| ☞ पराया धन | : | Sanjay Kumar | 89 |
| ☞ दोस्त मेरे | : | Sanjay Kumar Rai | 90-91 |
| ☞ क्रिकेट | : | Humeshwari Das | 92 |
| ☞ गीत, तर्ज - परदेशी जाना नहीं | : | Ratan Mishra | 93 |
| ☞ तीन बातें | : | Amarjit Chandra Raut | 94 |
| ☞ हँसते हँसते जीना | : | Amarjit Chandra Raut | 95 |
| ☞ शायरों की महफिल | : | Ratan Mishra | 96 |
| ☞ सधा तोहफा | : | Amarjit Chandra Raut | 97-98 |
| Result of the Competitions under Culture & Debating Section | : | | 99 |
| ছাত্ৰ একতা সভা, ২০০৫-০৬ বৰ্ষ | ঃ | | ১০০-১০১ |
| বিদ্যালয়ৰ সপ্তাহ | ঃ | | ১০২ |
| ছাত্ৰ একতা সভাৰ সৌজন্যত সমূহীয়াভাৱে আয়োজিত ড° ভবেন বৰুৱা চাৰৰ অৱসৰৰ প্ৰাকমুহূৰ্তত | ঃ | | ১০৩ |
| 'কানৈয়ান'ৰ ইতিহাস | ঃ | | ১০৪ |



মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিৱকান্ত দত্ত



# শুভেচ্ছা বাণী

*ড° শিৱকান্ত দত্ত*
অধ্যক্ষ, কানৈ কলেজ

১৯৪৫ চনৰ কথা। ডিবৰুৰ কেইগৰাকীমান বিদ্যানুৰাগী সমাজকৰ্মীৰ নিৰলস প্ৰচেষ্টা আৰু কানৈ পৰিয়ালৰ উদাৰ দাতা হনুমানবস্ক কানৈ ডাঙৰীয়াৰ মহানুভৱতাৰ ফলশ্ৰুতিত চহৰৰ মাজ-মজিয়াত জীপ লৈ উঠিল জ্ঞানবৃক্ষৰ এটি আলফুলীয়া অঙ্কুৰ। বছৰ বাগৰি গ'ল কালৰ অমোঘ নিৰ্দ্দেশত। বোধিবৃক্ষৰ পুলিটি ক্ৰমে পত্ৰে পুষ্পে পল্লৱিত, শাখা প্ৰশাখাৰে বিস্তৃত বৃহৎ বৃক্ষত পৰিণত হৈ 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ' আখ্যাৰে জিলিকি উঠিল। নিৰৱচ্ছিন্ন বা সাধনাৰ মহামন্ত্ৰৰে দীক্ষিত হাজাৰ হাজাৰ ছাত্ৰ ছাত্ৰীয়ে ইয়াৰ গভীৰ প্ৰচ্ছায়াত জিৰণি লৈ লাভ কৰিলে ভৱিষ্যতৰ অকুতোভয় পাথেয়। এই গৰ্ব্বোজ্বিল ঐতিহ্য বিদ্যায়তনিক ইতিহাস আৰু পৰম্পৰাৰ বিজয় যাত্ৰা লিপিবদ্ধ হবলৈ ধৰিলে মহাবিদ্যালয় পত্ৰিকাৰ পাতত। পূৰ্বসূৰীৰ পদাঙ্ক অনুসৰণ কৰি এই বছৰো অৰ্থাৎ ২০০৬ চনৰ মহাবিদ্যালয় মুখপত্ৰৰ সম্পাদনা সমিতিয়ে সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰকাশ কৰিব খুজিছে 'কানৈয়ান'ক। আনন্দ আৰু আশাৰে আমি বাট চাই ৰলো, এই বাৰৰ কানৈয়ানেও যেন ছাত্ৰ সমাজৰ নবীনক প্ৰোৎসাহ আৰু প্ৰবীণক প্ৰত্যয় দান কৰাত সফল হয়।

কানৈয়ান সম্পাদনা সমিতিলৈ শুভেচ্ছা জনালোঁ।

# সম্পাদকৰ একলম ......



জন্মলগ্নৰ পৰা ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় অসমৰ ৰাজনৈতিক সামাজিক সাংস্কৃতিক তথা শিক্ষাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। স্বনামধন্য কবি সাহিত্যিকৰ কঠিয়াতলী হিচাপে এই মহাবিদ্যালয়খনি গৌৰৱান্বিত।

আন্তৰিক মত-মনোভাৱ আৰু উদ্যম মনতলৈ এই মহাবিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰী আৰু কৰ্মকৰ্তাসকলে আৰম্ভণিৰে পৰাই সফলতা বিচাৰি এই শিক্ষানুষ্ঠানটিক চিৰজাগ্ৰত কৰি ৰাখিবলৈ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়েৰে যথা সম্ভৱ প্ৰয়াস কৰিছে আৰু কৰি থাকিব।

আলোচনী এখনৰ বাবে "সম্পদকীয় শিতান" এটা আৱশ্যকীয় গতানুগতিক ধাৰা। আনহাতে ইয়াক আলোচনীখনৰ অভিন্ন অংশ বুলিও ধৰা হয়। এনে শিতানৰ প্ৰাসংগিকতা আছে বাবেই সমাজত অন্তৰ্নিহিত হৈ থকা সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্মীয় হোৱাটো যথা সময়ত স্বভাৱিক হৈ পৰে।

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ কলেজৰ দৰে এক ঐতিহাসিক মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰৰ সম্পাদক হবলৈ পায় মই গৌৰৱান্বিত সেইগতিকে এই মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰত মই সম্পাদকৰ কলমত অন্যান্য উল্লেখিত কথাত আলোকপাত কৰিবলৈ চেষ্টা কৰিছো। ভুল হ'লে নিশ্চয় ক্ষমাৰ যোগ্য।

এখন আলোচনীৰ মাজেৰেহে প্ৰকৃততে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভাৰ সামগ্ৰিক ৰূপটো প্ৰকাশ পায়। আলোচনীখনত নিজৰ লেখনি প্ৰকাশ কৰিবলৈ হয়তো কোনোৱে প্ৰথমবাৰৰ বাবে হাতত কলম তুলি লৈছে বা আন কাৰোবাৰ বাবে হয়তো ই এক অভ্যাস হৈ পৰিছে।

এই ছেগতে আমাৰ মহাবিদ্যালয়খনৰ বিষয়ে দুই এষাৰ মোৰ প্ৰতিবেদনত সন্নিবিষ্ট নকৰিলে হয়তো প্ৰতিবেদনেই সম্পূৰ্ণ নহব। অৱশ্যে ইয়াৰ সকলো দিশ আলচ কৰাটো মোৰ পক্ষে সম্ভৱ নহয়। অন্যান্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদনত এই বিষয়ে উল্লেখ থাকিবই।

ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়খন অসমৰ ভিতৰত এখন আগশাৰ আৰু জাকত জিলিকা শিক্ষানুষ্ঠান, গতিকে এনে ধৰণৰ মহাবিদ্যালয়ৰ তলত শিক্ষা গ্ৰহণ কৰিব পৰাটো আমাৰ সকলোৰে বাবে সচায়ে এক গৌৰৱৰ কথা। এই ঐতিহ্য যেন যুগে-যুগে বৰ্তি ৰওক এই কামনাৰে ঈশ্বৰৰ ওচৰত মোৰ বিনম্ৰ প্ৰাৰ্থনা।

আলোচনী এখন সম্পাদন কৰাটো এক গুৰুত্বপূৰ্ণ দায়িত্ব। এই দায়িত্বই মোক বহু অভিজ্ঞতাও প্ৰদান কৰিলে। আলোচনীখনৰ দায়িত্ব সঠিকভাৱে পালন কৰাত সহায় আৰু উৎসাহ আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু মোৰ প্ৰিয় মৰমৰ বন্ধু-বান্ধৱ সকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

*শ্ৰী বিশ্বজিৎ চেতিয়া*

*আলোচনী সম্পাদক*

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন.....



প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মই ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে এই গৌৰৱমণ্ডিত মহাবিদ্যালয়ৰ তথা ইয়াৰ সম্পাদকৰূপে সম্পৰ্কিত অংগসমূহৰ প্ৰতি সেৱা আগবঢ়াবৰ নিমিত্তে যিসকল দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভন্টিয়ে মোক নিৰ্বাচিত কৰিলে তেওঁলোকলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। দ্বিতীয়তে মহাবিদ্যালয়ৰ বৰ্তমানৰ সন্মানীয় অধ্যক্ষ ডঃ শিৱ কান্ত দত্ত, প্ৰাক্তন অধ্যক্ষ ডঃ ভবেন বৰুৱা, উপ-অধ্যক্ষ জয়কৃষ্ণ মহন্ত, চিৰপূজ্য শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দস লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তিৰিক শ্ৰদ্ধা নিবেদিলো।

ছাত্ৰ একতা কাৰ্যকাল এটা অতি চমু সময়, যিহেতু এখন ছাত্ৰ একতা সভাই ছাত্ৰ এবছৰহে সময় পায়। এখন ছাত্ৰ একতা সভাই সেই শিক্ষানুষ্ঠানৰ প্ৰতি, ছাত্ৰ সমাজৰ প্ৰতি, শিক্ষাৰ লগত জড়িত বিভিন্ন দিশ সমূহৰ প্ৰতি ৰাজনৈতিক সাংস্কৃতিক আদি সকলো দিশৰ প্ৰতি কৰিবলগীয়া কৰ্তব্য বহুখিনিয়েই থাকে। কিন্তু এই এবছৰীয়া কাৰ্য্যকালত ইমান বহল প্ৰতিসৰত সকলোখিনি কৰাটো সম্ভৱ নহয়।

মনত হেজাৰ-বিজাৰ সংকল্পেৰে ২৮ ডিচেম্বৰ, ২০০৫ তাৰিখে পূৰ্বৰ সাধাৰণ সম্পাদকৰ হাতৰপৰা, নিৰ্বাচনত জয়ী হৈ, কাৰ্যভাৰ গ্ৰহণ কৰিলো। আমি নতুন ছাত্ৰ একতা সভাই ২ জানুৱাৰী, ২০০৬ তাৰিখে শপত গ্ৰহণ কৰো। সমগ্ৰকালছোৱাত মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ লক্ষ্যৰে ভালেমান পৰিকল্পনা হাতত লৈ আঁচনি প্ৰস্তুত কৰা হ'ল, তাৰে কিছুমান বাস্তৱ ৰূপায়ণৰ ক্ষেত্ৰত সমৰ্থ হব পৰা নগল। এই ক্ষেত্ৰত মোৰ এয়ে কবলগীয়া যে মোৰ কাৰ্যকালত মই কি কৰিলোঁ কি নকৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্থ। দুহেজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীক নেতৃত্ব দিয়াৰ লগে লগে মহাবিদ্যালয়ৰ অভাৱসমূহ কোনোপাকৰপৰা একেলানিয়ে সমাধান কৰি যোৱাটোক কোনোমতেই উলামুলা কাৰ্য বুলিব নোৱাৰি। তথাপি মই নিজৰ সামৰ্থ অনুযায়ী অহোপুৰুহাৰ্থ কৰিছিলোঁ।

আপোনালোক সকলোৱেই জানে যে এইখিনি কৰিবলৈ যাওঁতে বহু কষ্ট স্বীকাৰ কৰিবলগীয়া হয়। তাৰ উপৰিও বহুক্ষেত্ৰত কাৰোবাৰ কোপসৃষ্টি, সমালোচনা আৰু হাঁহিৰ পাত্ৰও হ'বলগীয়া হয়। তথাপিও বহুতো তিতা-মিঠা অভিজ্ঞতাৰে মোৰ কাৰ্যকাল সামৰিবলৈ লৈছো।

মোৰ এই সাধাৰণ সম্পাদকৰ কাৰ্যকাল এটি বাৰ্ষিক খতিয়ান আপোনালোকৰ আগত দাঙি ধৰিলো।

১) <u>মহাবিদ্যালয় সপ্তাহ</u> ঃ-

৩ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈকে, ০৬, কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ আটাইতকৈ ডাঙৰ আৰু অতি আগ্ৰহৰ অনুষ্ঠান মহাবিদ্যালয় সপ্তাহ অনুষ্ঠানটি বিগত বৰ্ষৰ দৰে এইবাৰো সপ্তাহজোৰা বিস্তৃত কাৰ্য্যসূচীৰে পালন কৰা হয়।

২) <u>শ্ৰী শ্ৰী সৰস্বতী পূজা</u> ঃ-

৩ ফেব্ৰুৱাৰী, ২০০৬ তাৰিখে শ্ৰী শ্ৰী সৰস্বতী পূজা আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিক, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ সহযোগত শৃঙ্খলাবদ্ধভাৱে উদ্‌যাপন কৰা হয়।

৩) <u>নবাগত আদৰণি সভা</u> ঃ-

২৬ জুলাই, ২০০৬ তাৰিখে আমাৰ মহাবিদ্যালয়ত উচ্চ শিক্ষাগ্ৰহণৰ বাবে নামভৰ্ত্তি কৰা নবাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণী জনোৱাৰ মানসেৰে আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত 'নবাগত আদৰণি সভাখনি' অতি সুন্দৰকৈ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানটোক অধিক আকৰ্ষণীয় কৰিবৰ বাবে 'ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলনতীৰ্থ' শীৰ্ষক এক ব্যতিক্ৰমধৰ্ম্মী কাৰ্যসূচিও হাতত লোৱা হৈছিল। মহাবিদ্যালয়ৰ সমূহ ন-পুৰণি ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন কানৈয়ান আৰু শিক্ষা গুৰুসকলৰ পূৰ্ণ সহযোগিতাই অনুষ্ঠানটি সফল ৰূপায়ণত অৰিহণা যোগাইছিল।

৪) <u>শিক্ষক দিৱস উদ্‌যাপন</u> ঃ-

ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, শিক্ষাবিদ, দাৰ্শনিক, পণ্ডিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিৱস উপলক্ষে 'শিক্ষক দিৱস' আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত আয়োজন কৰা হৈছিল।

৫) <u>ড° যোগীৰাজ বসু স্মাৰক বক্তৃ অনুষ্ঠান</u> ঃ-

২৯ নবেম্বৰ, ২০০৬ তাৰিখে, অসম কলেজ শিক্ষক সংস্থা কানৈ কলেজ গোটৰ দ্বাৰা আয়োজিত বক্তৃতানুষ্ঠানত আমাৰ ছাত্ৰ একতা সভায়ো পূৰ্ণ সহযোগিতা আগবঢ়ায়। এইবাৰ বক্তৃতা আগবঢ়াইছিল অসমৰ সন্মানীয় শিক্ষাবিদ ডঃ হিৰেণ গোঁসায় দেৱে।

৬) <u>অন্বেষা গ্ৰন্থমেলা</u> ঃ-

২৩ ৰ পৰা ২৬ অক্টোবৰ, ২০০৬ তাৰিখলৈকে আমাৰ কাৰ্যকালতে অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত মহাবিদ্যালয়ত 'অন্বেষা গ্ৰন্থমেলা' আয়োজন কৰা হয়।

৭) <u>বিভিন্ন আলোচনা চক্ৰ</u> ঃ-

প্ৰাণী বিজ্ঞান বিভাগ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজন কৰা জিলাভিত্তিক আলোচনা চক্ৰত আমাৰ ছাত্ৰ একতা সভায়ো পূৰ্ণ সহযোগীতা আগবঢ়ায়।

৮) <u>তৰ্ক প্ৰতিযোগিতা অংশগ্ৰহণ</u> ঃ-

ডিব্ৰুগড় ইণ্ডিয়া ক্লাব আৰু গড়গাওঁ মহাবিদ্যালয় আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাত মোৰ তত্বানধানত যোৱা আমাৰ দলটো সুভাশীশ গগৈ, দিম্বেধৰ চেতিয়া, সৌৰভ গগৈয়ে ক্ৰমে প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়।

ইয়াৰ লগতে মোৰ কাৰ্যকালত আমাৰ ছাত্ৰ একতা সভাৰ দ্বাৰা, আমাৰ অধ্যক্ষ চাৰৰ সহায়ত কৰা কিছুমান কাৰ্যৰ এটি চমু খতিয়ান আপোনালোকৰ আগত আগবঢ়াব খুজিলো -

ক) স্থায়ীভাৱে আমাৰ কলেজলৈ এটা চাউণ্ড চিষ্টেম অনা হ'ল।

খ) ছাত্ৰবিলাকৰ বাবে প্ৰস্ৰাৱগাৰটো নতুনকৈ বনায় দিয়া হ'ল।

গ) জেৰক্স মেচিন এটা অনা হৈছে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে। (কিন্তু কিছুমান অসুবিধাৰ বাবে সেইটো লাইব্ৰেৰীত স্থাপন কৰা হোৱা নাই)।

ঘ) কলেজৰ বাৰাণ্ডাসমূহ নতুনকৈ পকা কৰা হৈছে।

ঙ) আমাৰ ছাত্ৰ-একতা সভাৰ ঘৰটো নতুনকৈ মেৰামতি কৰা হ'ল।

চ) আমাৰ কানৈ ছাত্ৰ নিবাসটো, কিছুমান বৃশৃংখল পৰিস্থিতিৰ বাবে বন্ধ কৰি দিবলগীয়া হ'ল।

ছ) আমাৰ কলেজৰ ৱাল আৰু গেটখন ধুনীয়াকৈ ৰং মৰা হৈছে।

জ) কলেজৰ মাজৰ ঠাইডোখৰত, সুন্দৰকৈ এটা 'কৰিদ'ৰ' স্থাপন কৰা হৈছে। ছাত্ৰ-ছাত্ৰী সকলে বহিবৰ বাবে।

ঝ) ছাত্ৰী নিবাসটো আমাৰ অধ্যক্ষৰ সিদ্ধান্তমৰ্মে লাইটৰ ব্যৱস্থা কৰি দিয়া হৈছে।

<u>সামৰণি</u> ঃ সৰ্বশেষত সমগ্ৰ কাৰ্যকালছোৱাত মোৰ নিজৰ অজানিতে নতুবা সচেতনতা অভাৱত হোৱা ভুল-ক্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে কানৈ মহাবিদ্যালয় নামৰ জ্ঞানৰ বন্তি গছি আজীৱন আমৰণ সকলো দিশৰ পৰা বিভুষিত হৈ বিশ্বৰ শিক্ষা জগতত এক উজ্জ্বল জ্যোতিষ্ক হৈ জিলিকি ৰ'ব।

**! জয়তু কানৈ মহাবিদ্যালয় !**
**জয় আই অসম।**

*শ্ৰী জয়ন্ত কুমাৰ দাস*
সাধাৰণ সম্পাদক

# অসমীয়া বিভাগ

# প্ৰতীকধৰ্মিতা আৰু কৱি ইয়েটচ্

ড° জয়কৃষ্ণ মহন্ত

গ্ৰীক ভাষা 'Symballein' অথবা 'Symbolon' পদ দুটাৰ পৰাই পশ্চিমীয়া সাহিত্যত 'Symbol' বা প্ৰতীক শব্দটোৰ ব্যৱহাৰ হৈছে বুলি পণ্ডিতসকলে কব খোজে। সাহিত্যত প্ৰতীকধৰ্মিতা বা প্ৰতীকৰ ব্যৱহাৰ বুলি ক'লে সাধাৰণতে কোনো এটা শব্দৰ বা একোটা শব্দসমষ্টিৰ আভিধানিক অৰ্থৰ ৰূপটোক বাদ দি সংযোগ, বিয়োগ, সাহচৰ্য্য আৰু বিৰোধিতা আদিৰ সহায়ত অভিপ্ৰেত অৰ্থ বিচাৰি উলিয়াবৰ যি প্ৰচেষ্টা তাকে বুজা হয়। অৰ্থাৎ এটা প্ৰতীক বা Symbol এ একোটা চিত্ৰকল্প (image) আৰু সেই চিত্ৰকল্পৰ লগত অন্বয়যোগ্য একোটা ধাৰণা একত্ৰিত কৰি এটা সম্পূৰ্ণ নতুন অৰ্থ ব্যঞ্জিত কৰিব পাৰে। উদাহৰণ স্বৰূপে ইংৰাজী কাব্য সাহিত্যৰ অন্যতম পুৰোধা T. S. Eliot এ 'খটখটী বগোৰা' (Climbing a Stair case) প্ৰতীকটো ব্যৱহাৰ কৰিছে আধ্যাত্মিক অভ্যুন্নতি সূচিত কৰাৰ অৰ্থে। এতেকে প্ৰতীকৰ ব্যৱহাৰ এন এক আলঙ্কাৰিক প্ৰয়োগ য'ত উপমা ৰূপক, মূৰ্তিকৰণ আৰু লক্ষণা ব্যঞ্জনাৰ দৰে উৎকৃষ্ট অলঙ্কাৰসমূহ একেলগে নিহিত হৈ থাকে। সাধাৰণতে কোনো এটা প্ৰাসঙ্গিক উক্তিক কৌশলেৰে আন এক পৰিমণ্ডললৈ কৰা সঙ্গত উৎক্ষেপতেই প্ৰতীক ব্যৱহাৰৰ সফলতা লুকাই থাকে। প্ৰতীকৰ ব্যৱহাৰত ব্যৱহৃত শব্দসমূহক আভিধানিক অৰ্থৰ পৰা একেবাৰে পৃথক কৰি সম্পূৰ্ণ ভিন্ন অৰ্থ প্ৰদান কৰিব পৰা শক্তি নিহিত থাকে বুলিয়েই বহুক্ষেত্ৰত ই এটা জটিল প্ৰক্ৰিয়াত পৰিণত হয়গৈ। Kenneth Berke নামৰ পণ্ডিত জনে কৈছে ঃ 'A Symbol is the verbal parellel to a pattern of experience.' আকৌ Edmund Wilson নামৰ সমালোচক গৰাকীয়ে কৈছে যে কিছুমান বিষম ব্যক্তিনিষ্ঠ অভিজ্ঞতাৰ দ্যোতক হিচাপে ৰূপকৰ সহায়ত লাভ কৰা জটিল ধাৰণাবিলাকৰ সংমিশ্ৰণেই হ'ল প্ৰতীক আৰু এই প্ৰতীকধৰ্মিতা হ'ল গভীৰ মননশীলতাৰ ফলশ্ৰুতি। প্ৰতীকৰ এই জটিলতা, গভীৰতা আৰু ব্যঙ্গ শক্তিৰ (Suggestion power) প্ৰতি লক্ষ্য ৰাখিয়েই C.M. Bowra ই প্ৰতীকধৰ্মী কাব্য সাহিত্যক ৰহস্যবাদী সাহিত্য (mystic poetry) বুলিছে, আৰু কৈছে যে এনে সাহিত্য সৃষ্টিৰ মাজেৰে এজন কবিয়ে জীৱনৰ দুৰ্জেয় ৰহস্যাৱৰ্ত্তৰ গভীৰলৈও সোমাই যাবলৈ সমৰ্থ হয়।

কানে যি খিনি শুনিলে, মগজুৱে যিখিনি বুজিলে অথবা আন কথাত বাচ্য অৰ্থই যিখিনি অৰ্থৰ সংকেত দিলে তাতকৈ অধিক অৰ্থ বুজিবৰ যেতিয়া প্ৰয়োজন হয় তেতিয়াই প্ৰতীকৰ সহায় ল'ব লগা হয়। William Blake এ প্ৰকৃতিৰ সংহাৰকাৰিণী চণ্ড ৰূপটোক ব্যঞ্জিত কৰিছে 'Tiger, Tiger burning bright' বুলি। সেয়েই Symbol কাৰন 'Tiger', 'burning' আৰু 'bright' এই শব্দ কেইটাই প্ৰকৃতিৰ প্ৰলয়ঙ্কৰ মূৰ্তিটো ছবিখন আমাৰ মনলৈ আভিধানিক অৰ্থৰ যোগত কঢ়িয়াই আনিব নোৱাৰে। অথবা কৰি কালিদাসে শকুন্তলাৰ মিল দেহ সুষমা বৰ্ণনা

কৰোতে - 'অধৰ কিশলয় ৰাগঃ' বুলি কোৱা কথাষাৰত কিশলয় বা গছৰ সদ্য অঙ্কুৰিত কুঁহি পাতটিৰ ৰূপ, ৰস, গন্ধ, শব্দ আৰু স্পৰ্শ ৰূপ ভৌতিক ধৰ্মবিলাক শকুন্তলাৰ বিদ্ৰুম মণি সদৃশ অধৰোষ্ঠৰ ৰূপ, ৰস, গন্ধ, শব্দ আৰু স্পৰ্শৰ লগত একাকাৰ হৈ যোৱাৰ উপৰিও ইয়াৰ অক্ষত অৱস্থাকো বুজাবলৈ সমৰ্থ হৈছে। কেৱল বাচ্য অৰ্থই ইয়াক বোধগম্য কৰোৱাটো সমূলি অসম্ভৱ। ভাৱৰ যি অগাধ গাম্ভীৰ্য্য আৰু বিস্তীৰ্ণতা অথবা অনুভূতিৰ যি প্ৰভাৱশালীতা আৰু জটিলতা একোটা প্ৰতীকে ততালিকে বোধগম্য কৰাব পাৰে কেৱল উকা শব্দৰে তাক বুজোৱাটো সম্ভৱ নহয়।

পশ্চিমীয়া সাহিত্যত 'Symbolism' বা প্ৰতীকবাদৰ ইতিহাস বিচাৰিলে দেখা যাব যে লেংলেণ্ডৰ ৰূপকধৰ্মী (allegory) ৰচনাৰ পৰা আৰম্ভ কৰি স্পেন্সাৰ, বানিয়ান, মেটাফিজিকেল কৱিসকলৰ ৰচনা আৰু ব্লেকৰ কবিতাত ইয়াক পৰ্যাপ্ত পৰিমাণে পাব পাৰি। ৰোমান্টিক কৱিসকলৰ ৰচনাতো এই প্ৰতীকৰ ব্যৱহাৰ সীমিত আছিল। এই সময়ত ৰূপকৰ ব্যৱহাৰ যথেষ্ট জনপ্ৰিয় আছিল যদিও ৰূপক আৰু প্ৰতীকৰ মাজত থকা পাৰ্থক্য চকুত পৰা বিধৰ। ৰূপকত কল্পনা বল্গাহীন ঘোঁৰাৰ দৰেই বেগৱান। কিন্তু প্ৰতীকৰ ক্ষেত্ৰত ই সু-গভীৰ, সংযত আৰু পৰিকল্পিত। ফৰাচী সাহিত্যৰ বলিষ্ঠ ধাৰাটোৰ মাজত জন্ম পোৱা এই প্ৰতীকবাদে ১৮৮৬ খ্ৰীষ্টাব্দত আত্ম প্ৰকাশ কৰে যদিও মালাৰ্মে, ভাৰ্লেইন, বদলেয়াৰ, ৰ্যাঁবো প্ৰভূতি প্ৰতিভাশালী সাহিত্যিক সকলৰ ৰচনাৰ মাজেৰেহে ই এক নতুন মাত্ৰাৰে বিকশিত হয়।

আৰ্থাৰ চীমন্সে তেওঁৰ 'The Symbolic movement in Literature' নামৰ গ্ৰন্থত কৈছে যে ডব্লিউ, বি ইয়েট্চেই ইউৰোপীয় সাহিত্যৰ ধাৰাটোত বৰং ক'ব পাৰি ইংৰাজী সাহিত্যৰ ধাৰাটোত প্ৰতীক আন্দোলনৰ গুৰি ধৰে। আনহাতে W. Y. Tyndall এ ইয়েটচৰ সাহিত্যকৃতীৰ আৰম্ভৰ পৰা শেষলৈকে প্ৰতীকবাদৰ প্ৰভাৱ স্পষ্টভাৱে দেখিবলৈ পোৱা যায় বুলি মন্তব্য কৰিছে। অৱশ্যে ইয়েট্চে নিজে কোৱা মতে তেওঁৰ জীৱনৰ শেহতীয়া ৰচনাসমূহতহে প্ৰতীকৰ প্ৰাধান্য অধিক হৈ পৰিছিলঃ

'I have no Speech but Symbol, the pagan speech I made Amid the dreams of my youth.' (upon a dying Lady)

এটা কথা নিশ্চিতভাৱে কোৱাটো বৰ জটিল যে ইয়েট্চ তেওঁৰ কবিতাসমূহত প্ৰতীক ব্যৱহাৰৰ অনুপ্ৰেৰণা মালাৰ্মে আদি ফৰাচী সাহিত্যিকসকলৰ পৰা লাভ কৰিছিল নে পাতেৰে, ব্লেক, শ্যেলী অথবা চীমন্সৰ ৰচনাৰ পৰা সেই অনুপ্ৰেৰণা তেওঁ সংগ্ৰহ কৰিছিল। মন কৰিবলগীয়া কথা হ'ল ইয়েট্চে ফৰাচী ভাষা নাজানিছিল আৰু পণ্ডিতসকলৰ মতে তেওঁ মালাৰ্মেৰ সংস্পৰ্শলৈ অহা কথাটো বৰ বিশ্বাসযোগ্য নহয়। তেওঁলোকে ভাবে যে ফৰাচী প্ৰতীকবাদৰ ধাৰণাটোৰ লগত ইয়েট্চ্ পৰিচিত হয় চীমন্সৰ অনুবাদ সাহিত্যৰ মাজেৰেহে। কোৱা বাহুল্য চীমেন্স ফৰাচী ভাষাৰ পৰা মালাৰ্মে, ভাৰ্লেইন আৰু ধাৰানাটো ৰচনাৰাজি ইংৰাজী ভাষালৈ অনূদিত কৰিছিল। এনেদৰেই ইয়েট্চৰ প্ৰতীকবাদৰ ধাৰাণাটো চীমন্সৰ অনুবাদৰ মাজেৰেহে বিকাশ লাভ কৰিবলৈ সমৰ্থ হৈছিল। উনবিংশ শতিকাৰ অন্তিম দশকত চীমন্সক লগ পোৱাৰ পিছৰপৰাই ইয়েট্চৰ কবি মানসত এক লক্ষ্যনীয় পৰিবৰ্তনে দেখা দিয়ে। ইয়াৰ আগলৈকে ইয়েট্চে ভাবিছিল যে আইৰিশ্ জাতীয়তাবাদৰ উত্থান আৰু সংৰক্ষণৰ বাবে সেই ভাষাৰ সাহিত্যিকসকলে কেল্টিক মিথ'লজীৰ প্ৰতি বিশেষ ভাবে মনোনিবেশ কৰা উচিত।

যি কি নহওক ইয়াৰ পিছৰ কবি ইয়েট্চ ফৰাচী সাহিত্যিকসকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ প্ৰতীকৰ ভাবঘন অৰ্থগৌৰৱত মনোনিবেশ কৰে। ষ্টেফান জৰ্জৰ দৰে ইয়েট্চেও ক্ৰমে যৌৱনৰ উদগ্ৰ স্বপ্নময় অনুভূতিবোৰ জোকাৰি পেলাই বিষণ্ণ অন্তৰ্দৃষ্টিৰে জাগতিক ঘটনাৰাজি

বিশ্লেষণ কৰিবলৈ ধৰিলে। ৰিঙ্কেৰ দৰে তেওঁও চিত্ৰৱৎ জীৱন্ত আৰু সংবেদনশীল পুৰাকথাৰ (myth) প্ৰতি মোহ ত্যাগ কৰিলে। ভেলেৰীৰ দৰে সৃষ্টি কৰিলে অনেক সঙ্গীতময় অপূৰ্ব কৰিতা যিবোৰত নিহিত আছিল জীৱনবীক্ষাৰ অনেক দুৰূহ ধাৰনা জিমেনেজৰ দৰে ইয়েট্চেও ঘোষণা কৰিলে যে জীৱনটোক বুজি পাবৰ বাবে, সম্পূৰ্ণৰূপে উপলব্ধি কৰিবৰ বাবে, ইয়াৰ আধ্যাত্মিক গভীৰতাৰ বুৰ যাবৰ বাবে, বৃদ্ধ বয়সৰ পৰিপক্ক শক্তিহে সবাতোকৈ বলীয়ান।

Tyndall নামৰ সমালোচকজনে কৈছে যে ইয়েট্চে প্ৰতীক ব্যৱহাৰৰ ক্ষেত্ৰত ফৰাচী সাহিত্যিক সকলৰ ওচৰত ঋণী যদিও তেওঁ প্ৰকৃততে ফৰাচী সাহিত্যৰ সংস্পৰ্শলৈ অহাৰ বহু আগৰপৰাই প্ৰতীকবাদী কবি আছিল। ব্লেক, শ্যেলী; ৰচোটি আদি কবিৰ দ্বাৰা অনুপ্ৰেৰণা লাভ কৰাৰ উপৰিও তেওঁৰ প্ৰতীকসমূহ গুপ্তবিদ্যা (occult) অধ্যয়নৰ পৰাও আহৰণ কৰা হৈছিল। তদুপৰি ১৮৮৬ চনত মাদাম ব্লাভাট্স্কিৰ থিয়ছফিকেল ছ'চাইটিৰ (ব্ৰহ্মসমাজ) সদস্য ভুক্ত হৈ ইয়েট্চে শিকিলে যে বিশ্ব প্ৰকৃতিৰ অজ্ঞেয়তা যাক তেওঁলোকে 'Anima Mundi' বুলি কৈছে সেই পৰম অজ্ঞেয় প্ৰকৃতিক প্ৰতীকৰ সহায়ত জাগৃত কৰিব পাৰি। পিছত ১৯০১ চনত প্ৰকাশিত তেওঁৰ 'Magic' নামৰ ৰচনাত এই কথা ইয়েট্চে বহলাই আলোচনা কৰিছে। ৰ‍্যাবোৰ দৰে ইয়েটচেও গুপ্তবিদ্যা সাধনা কৰিছিল আৰু তেওঁৰ কবিতাত প্ৰতীক আৰু তুৰী, ধাৰনাৰে (trances) বাস্তৱক চমৎকৃত কৰি তুলিছিল। অপৰিদৃশ্যমান বাস্তৱৰ মাজত নিমজ্জিত কবি জনাৰ আধ্যাত্মিক বিশ্বাস তেওঁৰ অতিভৌতিক কল্পনা প্ৰশান্তিয়ে অধিক গভীৰ আৰু গাঢ় কৰি তোলাৰ কথা তেওঁৰ জটিল প্ৰতীক বিলাকৰ মাজেৰে উমান পাব পাৰি। সমালোচক সকলে এনেদৰেও কব খোজে যে ইয়েট্চে তেওঁৰ প্ৰতীকবিলাকৰ মাজেৰে দৃশ্যমান জগৎখন আবৃত কৰি আন এখন জগৎ উন্মুক্ত কৰাৰ চেষ্টা কৰিছে। আনহাতে ইয়েট্চৰ প্ৰতীক ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁৰ ব্যক্তিগত জীৱনৰ দুৰপনেয় সমস্যাসমূহো সমানেই দায়বদ্ধ। ইয়েট্চে তেওঁৰ প্ৰেমিকা ম'দ গনক (Maud Gonne) কবিৰ বাবে তেওঁৰ প্ৰেয়সী আছিল অপাৰ্থিৱ সৌন্দৰ্যৰ প্ৰতীক। কিন্তু প্ৰেমত বিফল মনোৰথ হোৱা কবিয়ে তেওঁৰ ভঙ্গুঁৰ প্ৰেমজনিত বেদনা আৰু পাহাৰ প্ৰমাণ হতাশা ছাকি ৰাখিবৰ বাবে এখন আৱৰণ বিচাৰিব লগা হ'ল আৰু সেই আৱৰণৰ ৰূপতো তেওঁ প্ৰতীকৰ সৃষ্টি কৰিছিল। আইৰিশ্ব লোককথাৰ পৰা তেওঁ Oisin, Aengus ৰ দৰে চৰিত্ৰসমূহ প্ৰতীক ৰূপত ব্যৱহাৰ কৰিছিল। ৰঙা হৰিণ, শিং নথকা বগা হৰিণ, সাগৰৰ মাজৰ দ্বীপ আদি তেওঁ সঘনে ব্যৱহাৰ কৰা প্ৰতীক আছিল। গুপ্তবিদ্যাৰ পৰা লোৱা প্ৰতীকসমূহৰ ভিতৰত গোলাপ, ক্ৰুশ, লিলি, চৰাই, পানী, গছ, চন্দ্ৰ সূৰ্য আদি উল্লেখযোগ্য।

ইয়েট্চৰ প্ৰতীকসমূহৰ ভিতৰত Rose বা গোলাপৰ প্ৰতীকটো অতি জটিল। সমালোচক পণ্ডিতসকলে ইয়াৰ একাধিক অৰ্থ থকাৰ কথা উল্লেখ কৰিছে। ইয়েট্চে ইয়াক সৌন্দৰ্য্যৰ বাহক ৰূপে ব্যৱহাৰ কৰাৰ উপৰিও অতীন্দ্ৰিয়বাদী ৰহস্য তন্ময়তাৰ মাজত জন্ম পোৱা প্ৰেমৰ প্ৰতীক ৰূপেও ব্যৱহাৰ কৰিছে। W. Y. Tyndall এ এই প্ৰসঙ্গত এনেদৰে কৈছেঃ 'The only higher initiates were admitted to the secret of the Rose, and the cross of Gold, the fadelles rose of creation and the immortal cross of Light or life itself, ecstacy and suffering and the union with God'. একেটা প্ৰতীককে কৰিয়ে বিভিন্ন সময়ত বিভিন্ন প্ৰসঙ্গত বৰ চতুৰতাৰে ব্যৱহাৰ কৰি ইয়াক আৰু জটিল কৰি তুলিছে। বহু সময়ত কৰিৰ অভিপ্ৰেত অৰ্থ অনুধাৱন কৰিব নোৱাৰিলে এনে ধৰণৰ ব্যৱহাৰে সাধাৰণ পঢ়ুৱৈক বাৰুকৈয়ে বিপদত পেলাব পাৰে। 'The secret Rose' নামৰ কবিতাটিত কবিয়ে গোলাপক গুপ্তৰহস্যৰ (esotericism) প্ৰতীক ৰূপেও ব্যৱহাৰ কৰিছেঃ

'Far off, most Secret and inviolate Rose
Enfold me in my four of hours; where those
who Saught thee in the holy Sepulchre,
Or in the wine - vat..........
Man have named beauty.'

এনেদৰে ইয়েট্‌চৰ 'Rose poem' বা গোলাপক উপজীব্য কৰি ৰচনা কৰা কবিতাসমূহত গোলাপৰ প্ৰতীকটোৱে ভিন ভিন পৰিৱেশত অথবা পৃথক প্ৰসঙ্গত ভিন ভিন অৰ্থ বহন কৰিছে।

১৮৯৮ চনত প্ৰকাশিত 'The wind among the Reeds' কাব্য সঙ্কলনত কবি ইয়েট্‌চে আইৰিশ্ব্ লোককথা আৰু পুৰাকথাৰ পৰা তেওঁৰ প্ৰতীকসমূহ আহৰণ কৰিছে আৰু এই প্ৰতীকবোৰ তেওঁৰ অভিজ্ঞতা লব্ধ একান্ত ব্যক্তিগত অনুভূতিৰ আভৰণেৰে সমৃদ্ধ কৰি তোলাৰ বাবে ই আপক্ষিকভাবে জটিল আৰু অধিক ব্যঞ্জনা পুষ্ট হৈ পৰিছে। এই কবিতাবোৰত স্বাভাৱিকতে Maud Gonne ৰ দৈহিক সৌন্দৰ্যই কবিৰ সংবেদনশীল মনৰ কষটি শিলাত পৰীক্ষিত হৈ অতীন্দ্ৰিয় সুষমা ধাৰণ কৰিছে।

১৯২৫ চনত প্ৰকাশিত 'A Vision' সঙ্কলনটিত ইয়েট্‌চৰ প্ৰখ্যাত আৰু বহু সমাদৃত প্ৰতীকসমূহৰ ব্যৱহাৰ চকুত পৰে। চন্দ্ৰৰ ২৮টা কলা (phase) ৰ লগত সংগতি ৰক্ষা কৰি মানুহৰ আত্মাই একোটা জীৱনত ২৮টা পৰিবৰ্তনশীল অৱস্থাৰ পৰিক্ৰমা কৰোঁতে এটা বৃহৎ ৰথচক্ৰৰ ২৮ডাল তাঁৰ (spoke)ৰ মাজেৰে পাৰ হোৱাৰ প্ৰতীক কবিয়ে ব্যৱহাৰ কৰিছে। ইয়াৰ বাহিৰেও 'Gyre' আৰু 'Cone' ৰ দুটা প্ৰখ্যাত প্ৰতীকৰ ব্যৱহাৰ দেখা যায়। 'Cone' ৰ প্ৰতীকে ইতিহাসৰ বৃত্তাকাৰ পুনৰাবৃত্তিক বুজোৱাৰ বাহিৰেও আত্মাৰ সগুণতা আৰু নিৰ্গুণতাকো বুজাইছে বুলি সমালোচকসকলে ক'ব খোজে। 'Gyre' প্ৰতীকটোত যৌনজীৱনৰ বৈশিষ্ট আৰু গুপ্তবিদ্যাৰ প্ৰভাৱ থকা বুলি ব্যাখ্যা কৰা হৈছে।

ইয়েট্‌চৰ শেষ জীৱনৰ কৱিতাবোৰত কবিয়ে 'Tower', 'Winding Stair' প্ৰভৃতি প্ৰতীক ব্যৱহাৰ কৰিছে। স্বাভাৱিকতে কবি শেষ বয়সত বিশ্বনিয়ন্তাৰ অস্তিত্বৰ প্ৰতি আস্থাশীল হৈ পৰিছে আৰু 'Tower' প্ৰতীকটোৰ সহায়ত ভগৱানক পাবৰ বাবে আত্মাৰ চিৰন্তন উদ্ধগামী গতিৰ কথা ক'ব খুজিছে। 'Winding Stair' প্ৰতীকটোৰে কৱিয়ে কব খুজিছে যে আত্মাৰ যি উৰ্দ্ধমুখী গতি - সেই গতিত সততে বাধা প্ৰদান কৰি ইন্দ্ৰিয়সমূহে কন্টকাকীৰ্ণ কৰি তোলে মানুহৰ সত্য অন্বেষণৰ পথ। সেই কন্টকাকীৰ্ন পথটোৱেই 'Winding Stair' আনহাতে আকৌ 'A prayer for my Daughter' কৱিতাটিত 'Tower' প্ৰতীকটোৱে মানুহৰ অন্ধকাৰ ভৱিষ্যতৰ কথা সূচাইছে। ইয়েট্‌চৰ আন এটা প্ৰখ্যাত কবিতা 'Leda and the Swan' ত নৰ আৰু নাৰায়ণৰ মিলন ৰূপী প্ৰতীকৰ সহায়ত শক্তি আৰু পদাৰ্থ বা দ্ৰব্যৰ সংযোগত হোৱা সৃষ্টিৰ কথা বুজাইছে।

এনেদৰে কৱি ইয়েট্‌চে তেওঁৰ কৱিতাত ব্যৱহাৰ কৰা প্ৰতীকসমূহ দুটা ভাগত ভাগ কৰিব পাৰি। তাৰে এবিধ প্ৰতীক একান্ত ব্যক্তিগত অনুভূতি প্ৰসূত সুখ-দুখ হৰ্ষ-বিষাদ অথবা মিলন-বিৰহৰ পৰা উদভূত হৈছে আৰু আনবিধৰ জন্ম হৈছে প্ৰখৰ বুদ্ধিমত্তা আৰু সূক্ষ্ম পৰ্যবেক্ষণৰ মাজেৰে। ইয়াৰে দ্বিতীয়বিধ প্ৰতীকেই কবিৰ প্ৰিয়।

❑❑❑

# বিষাক্ত মৌল আৰ্চেনিকৰ ব্যৱহাৰ আৰু বিষক্ৰিয়া

*ড° শিখা শৰ্মা*
প্ৰবক্তা, ৰসায়ন বিভাগ

বিষাক্ত ধাতু হিচাপে অতীতৰে পৰা জনাজাত আৰ্চেনিক হৈছে এটা ধাতুকলা। পৰ্য্যায়বৃত্ত তালিকাৰ চতুৰ্থ পৰ্য্যায়ৰ ১৫ বৰ্গত ইয়াৰ অৱস্থান। প্ৰাচুৰ্য্যৰ ফালৰ পৰা পৃথিৱীৰ খোলাত ই প্ৰায় ২ পি. পি. এম হিচাপে থাকে। অতিশয় উদ্বায়ী হোৱাৰ বাবে ই বায়ুমণ্ডলত প্ৰদূষক হিচাপে বিস্তৃত হৈ পৰি সমস্যাৰ সৃষ্টি কৰে কপাৰ, সোণ, লেড আদি ধাতুৰ নিষ্কাষনত বিগলন স্তৰটোত প্ৰচুৰ পৰিমাণে আৰ্চেনিক অক্সাইড উৎপন্ন হয়। তদুপৰি কয়লা পোৰা স্থানৰ বায়ুমণ্ডলতো প্ৰচুৰ পৰিমাণে আৰ্চেনিক উপলব্ধ হয়। সাগৰৰ পানীতো ২-৫ পি. পি. বি এম হিচাবে আৰ্চেনিক থাকে যদিও যিবোৰ অঞ্চলত আৰ্চেনিক যুক্ত স্প্ৰে বেছিকৈ ব্যৱহাৰ কৰা হয় তাত ইয়াৰ পৰিমাণ কিছু বেছি হয়।

আৰ্চেনিক প্ৰদূষক হিচাপে জগৰীয়া যদিও আৰ্চেনিক থকা যৌগটোৰ কিন্তু যথেষ্ট পৰিমাণে ব্যৱহৃত হৈয়েই আছে। অৱলোহিত-ৰশ্মি পাৰ হৈ যোৱা গ্লাছ (Infrared transmitting glall) প্ৰস্তুত কৰিবলৈ মৌলিক আৰ্চেনিক নহ'লেই নহয়। ফট'কন্‌ডাক্টৰ (Photoconductor) আৰু বৈদ্যুতিক ছেমি কন্‌ডাক্টৰ প্ৰস্তুতিটো আৰ্চেনিক দৰকাৰ। অইল ক্লথ (Oil Cloth) আৰু লিন'লিয়ামৰ (linoleum) প্ৰস্তুতকৰণতো আৰ্চেনিক দৰকাৰী। আৰ্চেনিক ছালফাইডক পিগমেন্টত ব্যৱহাৰ কৰা হয়। আৰ্চেনিকৰ আন এটা যৌগ আৰ্চেনিক অক্সাইডক নিগনি-মৰা দৰৱ (rodenticide) কীটনাশক (insecticide), বননাশক (herbicide) হিচাপে প্ৰয়োগ কৰা হয়। বননাশক (weed-killer) হিচাপে বহুলভাৱে ব্যৱহৃত হোৱা আৰ্চেনিক-যুক্ত ৰাসায়নিক যৌগবোৰ হ'ল মন'ছডিয়াম আৰ্চেনাইট আৰু ডাইমিথাইল আৰ্চেনিক এছিদ। ক্ৰ'মেটেড কপাৰ আৰ্চেনাইট (CCA) আৰু ফ্লুৰ'ক্ৰম আৰ্চেনেট ফেনইল (Phenyol) কাঠ-সংৰক্ষক (Wood preservative) হিচাপে ব্যৱহৃত হয়। আৰ্চেনিক জড়িত থকা বিভিন্ন ৰাসায়নিক উদ্যোগত প্ৰয়োগ কৰা বিক্ৰিয়াবোৰত আৰ্ছিন বা আৰ্চেনিক হাইড্ৰাইড উপজাত সামগ্ৰী হিচাপে উৎপন্ন হয় যিটো আৰ্চেনিকৰ আন সকলোবোৰ যৌগতকৈ আধিক বিষাক্ত। সাগৰীয় উদ্ভিদৰ ওপৰত ভেঁকুৰৰ ক্ৰিয়াৰ ফলতো আৰ্চেনিক উৎপন্ন হ'ব পাৰে। প্ৰাকৃতিক প্ৰক্ৰিয়াত প্ৰতি বছৰে প্ৰায় $৮\times১০^৪$ মেট্ৰিক টন আৰ্চেনিক বায়ুমণ্ডলত নিৰ্গত হোৱাৰ বিপৰীতে মানৱ-সৃষ্ট প্ৰক্ৰিয়াত এই পৰিমাণ প্ৰতি বছৰে প্ৰায় $২৪\times১০^৪$ মেট্ৰিক টন।

মানুহৰ দৈনন্দিন জীৱনত ব্যৱহৃত বহু সামগ্ৰীত আৰ্চেনিক থাকে যদিও ই মানৱ-স্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টিকাৰী পদাৰ্থ। আৰ্চেনিক হৈছে এক প্ৰট'প্লাজমিক বিষ যিয়ে শৰীৰৰ প্ৰায় সকলোবোৰ জৈৱ-ৰাসায়নিক বিক্ৰিয়া স্তব্ধ কৰি পেলাব পাৰে। লেড-প্লেটিং, গেল-ভেনাইজিং, ইট্‌চিং, ধাতু বিশুদ্ধকৰণ আৰু বিগলন, আদি প্ৰক্ৰিয়াবোৰৰ লগত জড়িত মানুহবোৰ অতি সহজে আৰ্চেনিকৰ বিষক্ৰিয়াৰ দ্বাৰা আক্ৰান্ত হয়। আৰ্চেনিক থকা মলমবোৰ ছালত শোষিত হৈ ছালৰ ৰোগৰ সৃষ্টি কৰে। আৰ্চেনিক যুক্ত ধূলি সেৱন কৰা লোকৰ ছালৰ ৰোগ, চকুৰ আৰু নাকৰ ৰোগ সঘনাই হোৱা দেখা যায়। মানুহৰ হাওঁফাওঁৰ কৰ্কটৰোগৰো অন্যতম কাৰক হ'ল আৰ্চেনিক যুক্ত দ্ৰব্যবোৰ। কম পৰিমাণৰ আৰ্ছেনিক শৰীৰৰ ভিতৰলৈ সোমালে ই লিপিত বেছিকৈ থকা কলাও জমা হয়। সাধাৰণতে মানুহৰ দেহৰ চুলি, নখ আৰু ছালত আৰ্চেনিকৰ পৰিমাণ বেছি হয়। ত্ৰি-যোজ্যতা বিশিষ্ট আৰ্চেনিক যৌগবোৰে মানুহৰ শৰীৰৰ জৈৱৰাসায়নিক বিক্ৰিয়াবোৰত মুখ্য ভূমিকা পালন কৰা ছালফ'হাইড্ৰেল মূলক যুক্ত এনজাইমবোৰৰ লগত বিক্ৰিয়া কৰি ইহঁতৰ কামত বাধা প্ৰদান কৰে। ফছফৰাছৰ

সৈতে কিছুমান ৰাসায়নিক ধৰ্মৰ সাদৃশ্য থকাৰ বাবে আৰ্ছেনিকে ফছফৰাছ জড়িত হৈ থকা জৈৱ ৰাসায়নিক প্ৰক্ৰিয়াবোৰ পংগু কৰি পেলায়। শৰীৰৰ ভিতৰত অবিৰত ভাৱে চলি থকা ৰাসায়নিক বিক্ৰিয়াবোৰৰ শক্তিৰ উৎস এদিন'ছিনট্ৰাইফছফেটৰ (ATP) ৰ সংশ্লেণতে ইয়াক স্পষ্টকৈ দেখা পোৱা যায়।

মানুহে গ্ৰহণ কৰা বেছিভাগ খাদ্য যেনে শাক-পাচলি, ফল-মূল, গাখীৰৰ সামগ্ৰী আৰু মাংসত ০.৫ পি. পি. এমতকৈ কম আৰ্ছেনিক থাকে। কিন্তু এই পৰিমাণ ১ পি. পি. এমতকৈ বেছি হ'লেই শৰীৰত আৰ্ছেনিকৰ প্ৰতিকূল প্ৰভাৱ স্পষ্ট হৈ পৰে। তান্ত্ৰিক বিসংগতি (gastrointestinal disorder) যেনে অসহ্য পেটৰ বিষ, বমি, ডায়েৰিয়া, কঁপনি আদিৰ জৰিয়তে আৰ্ছেনিকৰ বিষক্ৰিয়াৰ উমান পাব পাৰি। কেতিয়াবা আকৌ প্ৰচণ্ড মূৰৰ বিষ, স্মৃতি-শক্তি হ্ৰাস, অতিপাত তৃষ্ণা, শৰীৰৰ অস্বাভাৱিক উষ্ণতা, হৃৎপিণ্ডৰ অনিয়মিত স্পন্দন, ছালৰ বিৱৰ্ণতা, এনিমিয়া আদি উপসৰ্গয়ো দেখা দিয়ে। ক্ৰমাগতভাৱে আৰ্ছেনিকৰ বিষক্ৰিয়াই কেন্দ্ৰীয়া স্নায়ুতন্ত্ৰৰ কাৰ্য্যক্ষমতা একেবাৰে কমাই মানুহক মৃত্যুৰ মুখলৈও ঠেলি দিয়ে। আৰ্ছেনিকৰ বিষক্ৰিয়াৰ চিকিৎসা কৰা হয় এন্টিডট (Antidot) প্ৰক্ৰিয়াৰ সহায়ত। এই পদ্ধতিত তেজ আৰু কলাত বিয়পি পৰা আৰ্ছেনিকৰ লগত সমন্বয়ী সংকুল গঠন কৰিব পৰা এটা যৌগৰ সহায় লোৱা হয়। এনে এটা যৌগ হ'ল ২,৩ ডাইমাৰকাপ্ত' প্ৰপানল (BAL- British Anti Lewisite)। এই যৌগটোৱে আৰ্ছেনিকৰ লগত এটা সুস্থিৰ সমন্বয়ী সংকুল প্ৰস্তুত কৰে আৰু অৱশেষত ই যকযচ আৰু লিভাৰৰ পৰা বৰ্জিত হয়। কিন্তু সহ্যৰ সীমা (toberating limit) অতিক্ৰম কৰা পৰিমাণৰ আৰ্ছেনিক শৰীৰৰ ভিতৰৰ প্ৰৱেশ কৰিলে ই চিকিৎসা বিজ্ঞানৰ বিফলতাৰেহে পৰিচয় দিব।

❑❑❑

# গণিতৰ ন'বেল বঁটা ঃ ফিল্ড মেডেল

*ড° প্ৰিয় দেৱ গোস্বামী*
প্ৰবক্তা, গণিত বিভাগ

গণিত বিজ্ঞানত প্ৰদান কৰা সৰ্বোচ্চ সন্মান হ'ল 'ফিল্ড মেডেল'। কানাডাৰ গণিতজ্ঞ জে চি ফিল্ডৰ নামত ১৯৩৬ চনত এই পদক প্ৰৱৰ্তন কৰা হয়। টৰন্টো চহৰত ১৯২৪ চনত আন্তঃৰাষ্ট্ৰীয় গণিত ইউনিয়নৰ অধিৱেশন বহিছিল আৰু ইয়াৰ সচিব আছিল কানাডাৰ গণিতজ্ঞ জে. চি. ফিল্ড। এই অধিৱেশনতে ফিল্ডে ডেকা (চল্লিশ বছৰৰ অনুৰ্দ্ধ) গণিতজ্ঞসকলক সন্মান আৰু উদ্‌গনি যোগোৱাৰ বাবে দুটা পদক প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। গণিতৰ বিস্তৃত ক্ষেত্ৰত হোৱা গৱেষণাৰ প্ৰতি লক্ষ্য ৰাখি ১৯৬৬ চনৰ অধিৱেশনে সৰ্বোচ্চ চাৰিজন ব্যক্তিলৈকে এই বঁটা দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু ১৯৬৬ চনৰ পিচত মাত্ৰ চাৰিবাৰহে চাৰিটাতকৈ কম বঁটা দিয়া হৈছে। ১৯৭৪ চনত দুজন, ১৯৮২ ত তিনিজন, ১৯৮৬ চনত তিনিজন আৰু ২০০২ চনত দুজনক বঁটা দিয়া হৈছে।

১৯২৪ চনৰ টৰন্টো অধিৱেশনে পদক প্ৰদান কৰাৰ বাবে প্ৰয়োজনীয় নীতি-নিয়ম নিৰ্দ্ধাৰণৰ বাবে এখন সমিতি গঠন কৰে আৰু ২৫০০ ডলাৰ মঞ্জুৰ কৰে। সমিতিৰ প্ৰথমখন বৈঠক বহে ১৯৩২ চনৰ জানুৱাৰী মাহৰ ২ তাৰিখে। কিন্তু ১৯৩২ চনৰ জুৰিখ আন্তঃৰাষ্ট্ৰীয় গণিত অধিৱেশনৰ আগতেই ফিল্ডৰ মৃত্যু হয়। ফিল্ডে নিজৰ সম্পত্তিৰ দান ইচ্ছাপত্ৰ আৰু পুৰস্কাৰৰ বিষয়ে সবিশেষ লিখি থৈ যায়। পুৰস্কাৰ সম্বন্ধীয় সমিতিয়ে ফিল্ডৰ সকলো প্ৰস্তাৱ গ্ৰহণ কৰে আৰু কানাডাৰ নেশ্যনেল ট্ৰাষ্ট কোম্পানী লিমিটেডক পুৰস্কাৰৰ ন্যাসৰক্ষী হিচাপে নিযুক্তি দিয়ে। পদকৰ লগতে ১৫ হাজাৰ কানাডিয়ান ডলাৰ দিয়া হয়। সেই সময়ৰ ভাস্কৰ্যবিদ R.T. Mckenzie এ সোণৰ পদকৰ আৰ্হি প্ৰস্তুত কৰে। পদকৰ সন্মুখৰ ফালে আৰ্কিমিডিছৰ (২৮৭-২১২

বিজ্ঞান চৰ্চা, অধ্যয়ন, গৱেষণা আৰু ইয়াৰ প্ৰয়োগে মানৱ সভ্যতা তথা জীৱনধাৰা বিস্তৰ ভাৱে প্ৰভাৱিত কৰি আহিছে। যেনেদৰে বৰ্তমান সময়ত তথ্য প্ৰযুক্তিয়ে আনি দিয়া প্ৰভাৱ আমি সকলোৱে প্ৰত্যক্ষ কৰিছো। বিজ্ঞানৰ অধ্যয়ন, গৱেষণাক উৎসাহিত কৰিবলৈ আৰু সেই দিশত পথ প্ৰদৰ্শকজনক স্বীকৃতি প্ৰদান কৰিবলৈ বিভিন্ন বঁটা প্ৰদান কৰা হয়। যেনে - আমাৰ দেশৰ ভাটনাগৰ বঁটা। বৰ্তমান বিজ্ঞান জগতত সৰ্বশ্ৰেষ্ঠ আৱিষ্কাৰৰ বাবে বিভিন্ন শাখাত সৰ্বোচ্চ সন্মান ৰূপে স্বীকৃত ন'বেল বঁটা প্ৰদান কৰা হয়। কিন্তু গণিত বিষয়ত ন'বেল প্ৰদান কৰা নহয়। ডিনামাইটৰ আৱিষ্কাৰক বৃত্তৱান চুইডেনৰ ৰাসায়নিক আলফ্ৰেড ন'বেল বঁটাৰ বাবে ন্যাস গঠন কৰাৰ সময়ত গণিত বিষয়টোক বঁটা প্ৰদান কৰিবলগীয়া বিষয় হিচাপে তালিকাভুক্ত কৰা নাছিল। সম্ভৱ, ভৌতিক বিষয় নহয় বুলি গণিতক বিবেচনা কৰা নহ'ল; যিহেতু তেওঁ গণিত বা তাত্বিক বিষয়ৰ অনুবাদী নাছিল। ন'বেলৰ ইচ্ছাপত্ৰত উল্লেখ কৰা মতে মানৱজাতিৰ ব্যৱহাৰিক কল্যাণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা আৱিষ্কাৰৰ ক্ষেত্ৰতহে এই বঁটা প্ৰদান কৰা হব। গণিতত ন'বেল বঁটা প্ৰদান নকৰাৰ আঁৰত ঐতিহাসিক ভিত্তি নথকা এক কাহিনীও শুনা যায়। Gosta-Mittage-Leffler আলফ্ৰেড ন'বেলৰ এজন সমসাময়িক বিখ্যাত গণিতজ্ঞ আছিল। অবিবাহিত ন'বেলৰ লগত জড়িত এগৰাকী নাৰীৰ সৈতে Leffler ৰ এক ৰোমান্তিক সম্পৰ্ক আছিল, যাৰ বাবে দুয়োৰে সম্পৰ্ক মধুৰ নাছিল। ন'বেলে ভাবিছিল - যদি গণিতত ন'বেল বঁটা প্ৰদান কৰা হয়, তেন্তে Leffler এ এই বঁটা লাভ কৰাৰ সম্ভাৱনা অধিক। হয়তো এনে ধৰণৰ চিন্তাৰে প্ৰভাৱান্বিত হৈও ন'বেলে গণিত বিজ্ঞানত বঁটা প্ৰদান কৰাৰ কথা নক'লে যাৰ বাবে 'লুকাচিয়ান' অধ্যাপক ষ্টিফেন হকিংএ ন'বেল বঁটা পোৱা নাই।

খৃঃ পূঃ) প্ৰতিচ্ছবি আৰু আনফালে লেটিন ভাষাত "To Transcend one's Human Limitation and Master the Universe" শীৰ্ষক বাণী খোদিত কৰা আছে। 'ফিল্ড মেডেল' হিচাপে জনাজাত এই পদক প্ৰথমবাৰৰ বাবে ১৯৩৬ চনত অচ্‌লোত অনুষ্ঠিত গণিত অধিৱেশনত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ L.V. Ahifords আৰু মেছাচুছেট ইনষ্টিটিউট আৱ টেকন'লজীৰ J. Douglas ক প্ৰদান কৰা হয়। বিশ্বযুদ্ধৰ বাবে ১৯৫০ চনলৈ কোনো অধিৱেশন অনুষ্ঠিত হোৱা নাছিল। কিন্তু তাৰ পিছত প্ৰতি বছৰৰ অন্তৰে অন্তৰে অধিৱেশন অনুষ্ঠিত হৈ আহিছে। অৱশ্যে ১৯৮২ চনৰ অধিৱেশন ১৯৮৩ চনত অনুষ্ঠিত হৈছিল।

২০০২ চনৰ আন্তঃ ৰাষ্ট্ৰীয় গণিত ইউনিয়নৰ অধিৱেশন অনুষ্ঠিত হয়, চীনদেশৰ ৰাজধানী বেইজিং চহৰত। ২০০২ চনৰ ২১ আগষ্ট তাৰিখে চীনৰ ৰাষ্ট্ৰপতি জিয়াং জেমিনে বেইজিং চহৰৰ 'গ্ৰেট হল অৱ পিলচ্'ত অনুষ্ঠিত অধিবেশনত, বিশ্বৰ বিভিন্ন প্ৰান্তৰ চাৰিহেজাৰতকৈ অধিক প্ৰতিনিধিৰ উপস্থিতি Laurent Lafforgue আৰু Viadimir Voevodsky ক ফিল্ড মেডেল প্ৰদান কৰে।

ফ্ৰান্সৰ Bures-sur-Yuette ত অৱস্থিত Hautes Etudes Scientifiques প্ৰতিষ্ঠানৰ Lafforgue এ 'Langland Program' ত আগবঢ়োৱা তত্বৰ বাবে এই স্বীকৃতি প্ৰদান কৰা হৈছে। ১৯৬৭ চনৰ জানুৱাৰীত গণিতজ্ঞ Langrands এ Andre Weil লৈ লিখা এক পত্ৰত এই সমস্যাৰ বিষয়ে উল্লেখ কৰিছিল। ১৯৯৯ চনৰ নৱেম্বৰত পিনচ্‌টন বিশ্ববিদ্যালয়ৰ Advanced Study প্ৰতিষ্ঠানত Lafforague এ প্ৰদান কৰা এক পত্ৰত এই সমস্যাৰ বিষয়ে উল্লেখ কৰিছিল। ১৯৯৯ চনৰ নৱেম্বৰত পিনচ্‌টন বিশ্ববিদ্যালয়ৰ Advanced Study প্ৰতিষ্ঠানত Lafforgue এ প্ৰদান কৰা এক বক্তৃতাত Langland Program ৰ বিষয়ে এক প্ৰমাণ দাঙি ধৰে।

আমেৰিকাৰ পিন্‌চট'ন বিশ্ববিদ্যালয়ৰ Advanced Study প্ৰতিষ্ঠানৰ Voevodsky ক এলজেব্ৰীক ভেৰাইটিৰ তত্বত আগবঢ়োৱা অবদানৰ বাবে এই বছৰৰ ফিল্ড মেডেল দিয়া হৈছে।

আন্তঃৰাষ্ট্ৰীয় গণিত ইউনিয়নে তথ্য বিজ্ঞান আৰু ইয়াৰ লগত জড়িত নিৰ্দিষ্ট বিষয়ত উল্লেখযোগ্য অবদান আগবঢ়োৱা ব্যক্তিক Nevanlinna বঁটা প্ৰদান কৰে। ১৯৮৩ চনৰ ৱৰচ্ অধিৱেশনত প্ৰথম এই বঁটা প্ৰদান কৰা হয়। ফিনলেন্ডৰ গণিতজ্ঞ Rolf Nevanlinna ১৯৫৯ চনৰ পৰা ১৯৬২ চনলৈ আন্তঃৰাষ্ট্ৰীয় গণিত ইউনিয়নৰ সভাপতি আছিল আৰু তেওঁক সন্মান প্ৰদৰ্শন কৰিয়েই এই বঁটাক নামাংকিত কৰা হৈছে। Nevalinna হেয়েছিংকি বিশ্ববিদ্যালয়ৰ ৰেক্টৰ আছিল আৰু এই বঁটাৰ ধন হেলেছিংকি বিশ্ববিদ্যালয়ে বহন কৰে। ফিনলেণ্ডৰ ভাস্কৰ্য্যবিদ Raimo Heino এ প্ৰস্তুত কৰি উলিওৱা পদকত Nevelinna ৰ প্ৰতিকৃতি অংকিত কৰা আছে।

গণিত বিজ্ঞান অধ্যয়ন কৰি বৰ্তমান খ্যাতি আৰু অৰ্থ দুয়োটাই অৰ্জন সম্ভৱ। পৃথিৱীৰ কেইজনমান গণিতজ্ঞই ২০০ চনৰ ২৪মে' তাৰিখে বৰ্তমানলৈকে অসমাধান হৈ ৰোৱা ৭টা জটিল অংকৰ সমাধানৰ পুৰস্কাৰ ৰূপে ৭ নিযুত মাৰ্কিন ডলাৰ আগবঢ়াইছে। Clay Mathematics প্ৰতিষ্ঠানে প্ৰাচাৰ কৰা এই পুৰস্কাৰৰ নাম ৰখা হৈছে 'Millenium Prize Problems' আৰু প্ৰত্যেক পুৰস্কাৰৰ বাবদ দিয়া হ'ব এক নিযুত মাৰ্কিন ডলাৰ। প্ৰতিষ্ঠানটোৰ অধ্যক্ষ Arlthur Jaffe ৰ মতে সমাধানৰ বাবে কোনো নিৰ্দিষ্ট শেষ সময়সীমা ৰখা হোৱা নাই।

# সুজাতা (গল্প)

মূল হিন্দীঃ- *বিনোদ কুমাৰ মিশ্ৰ*
অনুবাদঃ- *কৃষ্ণকান্ত বৰদলৈ (প্ৰৱক্তা)*
হিন্দী বিভাগ

প্ৰাতঃ কালৰ সময়। আকাশত ৰাঙলী আভাই আৱৰি আছে। পক্ষীয়ে পাখি জোকাৰি কলৰব্ কৰি আছে। কহোড় ঋষিৰ পত্নী সুজাতাই নিজৰ কুটীৰৰ ভিতৰৰ পৰা ওলাই বাহিৰত ঘূৰি আছে। তাইৰ হাতত ফুলৰ কৰণি, য'ত তাই দৈনিক পূজা-অৰ্চনাৰ বাবে সুন্দৰ ফুল ছিঙি জমা কৰে। শীতল মতলীয়া বতাহে সুজাতাৰ চুৰি টাৰি উৰুৱাই আছে তথা ঋষি পত্নীৰ সুন্দৰতা বঢ়াই তুলিছে। ঊষাকালৰ লালিমাই সুজাতাৰ গালত নতুন ৰং সানিছে। কিন্তু নিজৰ ৰূপ লাৱণ্যৰ প্ৰতি উদাসীন সুজাতাই অন্য কিবা এটাহে ভাবি আছে।



আচলতে তাইৰ আজি বিবাহৰ এটা বছৰ পূৰ্ণ হৈছে। এবছৰ আগতে তাই নিজৰ পিতা বিদ্বান ঋষি উদ্দালকৰ ঘৰতেই আছিল। তাতো সেই একেই পৰিৱেশই আছিল। আশ্ৰম আকাৰত অলপ ডাঙৰেই আছিল। ছাত্ৰ আৰু শিক্ষকৰ সংখ্যা বেছি আছিল, নিয়ম-নীতি সকলোবোৰ একেই আছিল। বাল্যকালৰ পৰাই ব্ৰহ্ম মূৰ্হততে শোৱা পাটী এৰা আৰু ফুলনিৰ পৰা পূজাৰ বাবে ফুল অনা বা মালা গাঠা তাইৰ দিন চৰ্য্যাৰ অংগ হৈ পৰিছে। যিটো তাই আজিও নিষ্ঠাৰে পালন কৰি আহিছে। বিবাহৰ পিছতো তাইৰ দিন চৰ্য্যাৰ নিয়ম ভঙ্গ হোৱা নাই।

ফুল নিৰ্বাচন কৰি তাই মনত পেলাই আছে, বাল্যকালৰ পৰা তাই অনেক ব্ৰাহ্মণ কুমাৰক তাইৰ পিতাকৰ ওচৰত সম্পূৰ্ণ শ্ৰদ্ধা আৰু নিষ্ঠাৰে বিদ্যাৰ্জন কৰি থকা দেখিছিল। গৌৰবৰ্ণ এই আকৰ্ষণীয় তেজস্বী ব্ৰাহ্মণ কুমাৰ যি কোনোবাই প্ৰভাৱিত কৰিবলৈ সক্ষম আছিল। মিতভাষী আৰু মৰ্য্যদানুকুল আচৰণ কৰাএই ব্ৰাহ্মণ কুমাৰ সকলে শিক্ষা গ্ৰহণৰ বাহিৰে আশ্ৰমৰ অন্য সৰু বৰ কাম কাজতো ভাগ লৈছিল। অনেকবোৰ সিহঁতৰ লগত তাইৰ মুখা-মুখি হয়, কিন্তু কোনোৱে তাইৰ অন্তৰ ছুব পৰা নাই।

তাই মনত পেলাইছে কহোড়ক এই সকলোতকৈ উৰ্দ্ধত দেখা গৈছিল ব্ৰাহ্মণ কুমাৰৰ অন্য গুণৰ বাহিৰেও আৰু এটা গুণ তেওঁৰ আছিল, সেইটো আছিল আত্মবিশ্বাস এইটো তেওঁৰ সকলো কাৰ্য্যক্ষেত্ৰতে জিলিকি উঠিছিল। যিকোনো কাৰ্য্য সমাধা কৰোঁতে তেওঁৰ

ইফাল সিফাল নহৈছিল। যেতিয়া কহোড়ে নিজ গুৰু উদ্দালকৰ পৰা শিক্ষা গ্ৰহণ কৰি আছিল, তেতিয়া তেওঁ সম্পূৰ্ণ আত্ম বিশ্বাসেৰে শ্লোকৰ উচ্চাৰণ কৰিছিল। তেওঁ নিঃসংকোচ ভাবে প্ৰশ্ন কৰিছিল। কোনো বিষয়ত দিয়াজ্ঞানক আত্মসাৎ নকৰা পৰ্য্যন্ত তেওঁ শান্তি নাপাইছিল। তেওঁ যিকোনো বিষয়ত ক'বলৈ সাজুহৈ ৰৈছিল আৰু ধাৰাবাহিক ভাৱে ক'ব পাৰিছিল। আশ্ৰমত সময়ে সময়ে ছাত্ৰৰ মাজত শাস্ত্ৰদিৰ চৰ্চাৰ আয়োজন কৰা হৈছিল। কহোড়ৰ মনত সদা। শাস্ত্ৰাদিত চৰ্চাত জয়ী হোৱাৰ আগ্ৰহ আছিল। তেওঁ শাস্ত্ৰাদি চৰ্চাত কেৱল বিজয়ী হৈছিল এনে নহয় বৰঞ্চ নিজৰ সুকীয়া আৰু বিশিষ্ট চাপ এৰি গৈছিল। তেওঁৰ বক্তব্যৰ ওপৰত চৰ্চা বহু দিনলৈ চলিছিল।

আশ্ৰমলৈ প্ৰায়ে অন্যস্থানৰ পৰা বিদ্বান আৰু তেজস্বী ঋষি সকল আহিছিল। এই ঋষি সকলৰ মাজত প্ৰায় শাস্ত্ৰাদিৰ আলোচনা হৈছিল। বিদ্বান ঋষিৰ আলোচনাৰ অন্তত প্ৰশ্নোত্তৰ কাল আৰম্ভ হৈছিল, য'ত প্ৰত্যেক ছাত্ৰই নিজৰ গুৰুৰ সৈতে ভাগ লৈছিল। বিষয় যিমানেই জটিল বা নিৰস কিয় নহওঁক, কহোড় কেতিয়াও পিছ হোঁহকা নাছিল। এই সকলো গুণেই সুজাতাৰ মনত কহোড়ৰ প্ৰতি এক অনুৰাগৰ জন্ম দিছিল। তাই মনে মনে তেওঁক প্ৰেম নিবেদন কৰিছিল, কিন্তু তাইৰ এই প্ৰেমক প্ৰকাশ কৰিবলৈ সাহস নাছিল অথবা এনেধৰণৰ নিয়মো আশ্ৰমত প্ৰচলিত নাছিল। তাই নিজৰ প্ৰেমক ঈশ্বৰৰ সহায়ৰ বাবে এৰি দিছিল।

সেই সময়ত তাইৰ মনত অনেক বাৰ প্ৰশ্ন জাগিছিল যে যেনে ধৰণৰ প্ৰেমে তাইৰ মনত স্থান পাইছিল ঠিক সেই একে ধৰণৰ প্ৰেম তাইৰ প্ৰেমিকৰ অন্তৰতো স্থান পাইছিল নে? বহুত বাৰ তাইৰ মনত প্ৰশ্নৰ উদ্ৰেক হৈছিল এই নিৰস ব্ৰাহ্মণ কুমাৰে দিনে ৰাতি শাস্ত্ৰৰ অধ্যয়ন আৰু শাস্ত্ৰাদিতে নিমগ্ন থাকে। ক'ৰবাত এনেকুৱাটো নহয় যে তেওঁৰ বুকুত হৃদয় বোলা বস্তু টোৱেই নহওঁক আৰু ঈশ্বৰে কেৱল তেওঁক মস্তিষ্কহে দিছে নে? ভিন্ ভিন্ শংকাই তাইৰ মনত বাস লৈছিল। শংকাৰ লহৰে তাইৰ মনক পুলকিত কৰি তুলিছিল, কিন্তু এই পুলক ৰুচিকৰ লাগিছিল।

অন্যহাতেদি তাইৰ মাকক পুত্ৰীৰ বিবাহৰ চিন্তাই জুমুৰি দি ধৰিছিল এদিনাখন তাই নিজৰ স্বামীক এই বিষয়ে ধ্যান দিবলৈ কলো ঋষি উদ্দালকে পত্নীক সুধিলে, "হে প্ৰিয়ে কি তোমাৰ দৃষ্টিত এই পুত্ৰীৰ হেতু কোনো উপযুক্ত বৰ দৃষ্টি গোচৰ হৈছেনে?

পতিব্ৰতা পত্নীয়ে দায়িত্ব নিজৰ স্বামীলৈ অৰ্পণ কৰি ক'লে "হে নাথ আশ্ৰমত অনেক ব্ৰাহ্মণ কুমাৰে শিক্ষা গ্ৰহণ কৰি আছে। অনেকে শিক্ষা গ্ৰহণ কৰি ঘৰমুৱা হৈছে। আৰু নিজৰ কাৰ্য্য স্বতন্ত্ৰৰূপত কৰি আছে। আপুনি এই বিলাকৰ বিষয়ে খুব ভালকৈ জানে। শেষত উত্তম এইটোৱেই হ'ব যে আপুনি এজন উপযুক্ত বৰ নিৰ্বাচন কৰক। আপোনাৰ নিৰ্বাচনেই মোৰ আৰু পত্ৰীৰ শিৰোধাৰ্য্য হ'ব।" পিছফালে মনে মনে সকলো শুনি থকা সুজাতাই দেখিলে পিতাশ্ৰী কিছু চিন্তাত পৰিছে। তাই ভাৱিব ধৰিলে তাইৰ দেউতাক অত্যন্ত বিদ্বান তেওঁ ইমানকৈ ভৱাৰ আৱশ্যকতা কি? এইটো নিৰ্ঘাত সত্য যে এই সময়ত কহোড় তেওঁৰ শ্ৰেষ্ঠ শিষ্য। নিজৰ শ্ৰেষ্ঠ শিষ্যৰ হাতত নিজৰ পুত্ৰীক অৰ্পণ কৰাত তেওঁৰ কিহৰ সংকোচ?

কিন্তু সুজাতাই বেছি দিন অপেক্ষা কৰিবলগীয়া নহ'ল। এদিনাখন গুৰু উদ্দালকে কহোড়ক মাতি কলে - "হে শিষ্য, তোমাৰ শিক্ষা এতিয়া পূৰ্ণ হৈছে। এতিয়া তুমি ঘৰলৈ যাব পাৰা। যিদিনা তুমি নিজে আশ্ৰম খুলি বেদ পাঠী ব্ৰাহ্মণ কুমাৰক শিক্ষা দান কৰিব বিচৰা এই কাৰ্য্যও তুমি কৰিব পাৰা। তুমি বিদ্বান, চতুৰ কৰ্তব্য নিষ্ঠ তুমি অৱশ্যেই নিজৰ কাৰ্যত সফল হ'ব পাৰিবা।

তেতিয়া বিনম্ৰ শিষ্য কহোড় গুৰুৰ দ্বাৰা অৰ্জা শিক্ষাৰ বাবে কৃতজ্ঞতা ব্যক্ত কৰি বৰ দীনতাৰে ক'লে, "হে গুৰুবৰ, মই ইমানদিনে আপোনাৰ সান্নিধ্যত আছো। মই আপোনাৰ পৰা বিভিন্ন বেদ, শাস্ত্ৰ, গ্ৰন্থৰ অধ্যয়ন কৰিছো। আপোনাৰ দ্বাৰা অৰ্জণ কৰা অপাৰ জ্ঞানৰ বাবে কৃতজ্ঞতা ব্যক্ত কৰিবলৈ হেতু মোৰ ওচৰত উচিত শব্দ নাই। তথাপিও মই গুৰু দক্ষিণা দিব বিচাৰো অনুগ্ৰহ কৰি আদেশ দিয়ক।" বিদ্বান ঋষিয়ে মিচিকিয়াই ক'লে "হে শিষ্য কহোড়, যেনেদৰে মই তোমাক বিভিন্ন বেদ আৰু শাস্ত্ৰৰ জ্ঞান দিছো, তেনেদৰে তুমি নিজৰ জ্ঞান অন্য জ্ঞান পিপাসুৰ মাজত বিলাই থকা, এইয়াই পৰ্য্যাপ্ত। তথাপিও যদি তুমি বিচৰা হ'লে তোমাক এটা দায়িত্ব দিব বিচাৰো মোৰ কণ্যা সুজাতা বিবাহ যোগ্য হৈছে। তুমি মোৰ সকলো ফালৰে পৰাই উপযুক্ত বৰ বিবেচিত হৈছা। অন্ততঃ তুমি তাইক বিয়া কৰাই সুখ শান্তিৰে জীৱন নিৰ্বাহ কৰা। গৌৰবৰ্ণ কহোড়ৰ গালৰ ৰং অধিক ৰক্তিম হৈ উঠিল। লাজ কৰি তেওঁ নিজৰ গুৰুক ক'লে, - "আপোনাৰ যি আজ্ঞা"।

প্ৰকৃততে কহোড়ে সুজাতাক পচন্দ কৰিছিল কিন্তু আশ্ৰমৰ মৰ্য্যাদাৰ বাবে তেওঁ কেতিয়াও নিজৰ মনৰ কথা আনক কোৱা নাছিল। বিবাহ নিশ্চিত হোৱাত মহত্বাকাঙ্ক্ষী কহোড়ে নিজৰ ভৱিষ্যত যোজনা প্ৰস্তুত কৰিবলৈ ধৰিলে আৰু গুৰুৰ আশ্ৰমৰ কিছু দূৰত এক উপযুক্ত স্থানত নিজৰ আশ্ৰম সজোৱা আৰম্ভ কৰিলে। শীঘ্ৰে অনেক ব্ৰহ্ম কুমাৰ শিক্ষা গ্ৰহণ হেতু তেওঁৰ ওচৰলৈ আহিবলৈ ধৰিলে। এই সকলো বিলাক সুঁৱৰি সুজাতা ৰোমাঞ্চিত হৈ আছে।

তাই ভাৱি আছে কেনেকৈ নিজৰ বিবাহ কহোড়ৰ লগত ঠিৰাং হোৱাত আত্মহাৰা হৈছিল। সখীহঁতৰ লগত সেই সময় বৰ উল্লাসেৰে অতিবাহিত হৈছিল। সখীহতে তাইক হাঁহি খিকিন্দালিৰে ওপচাই পেলাইছিল আৰু লাজতে তাই জয় পৰি গৈছিল।

উপযুক্ত ক্ষণত দুয়োৰে বিবাহ অনাড়ম্বৰ ভাৱে সম্পন্ন হৈছিল। বিবাহৰ পিছত সুজাতাই স্বামীৰ নতুন আশ্ৰমত প্ৰৱেশ কৰিছিল। ইয়াত তাইৰ ওপৰত কিছু দায়িত্ব আহি পৰিছিল। স্বামীৰ অধিক সময় শিক্ষাদান আৰু সাধনাতে অতিবাহিত হৈছিল। সুজাতাই এইটো বুজিছিল যে তাইৰ স্বামী উচ্চকাংক্ষী আৰু জীৱনত বহুত কিছু কৰিব আৰু লাভ কৰিব বিচাৰে। শেষত তাই নিজকে স্বামীৰ পথেৰেই পৰিচালিত কৰিবলৈ ধৰিলে।

আশ্ৰমলৈ বিদ্বান ঋষিৰ আহ-যাহ হৈয়েই থাকে। স্বামী-স্ত্ৰীয়ে এই বিদ্বান সকলৰ উচিত অভ্যৰ্থনা কৰে। আশ্ৰমত কোনো বস্তুৰে অভাৱ নহওঁক - কোনো প্ৰৱাসীৰে যাতে কষ্ট নহয়, সুজাতাই এইটো কথাত বিশেষ ধ্যান ৰাখে।

ভীষণ ব্যস্ততাৰ মাজত স্বামী-স্ত্ৰীৰ মৰম চেনেহৰ বাবে সময় উলিয়াই লয়। আজি সকলো সুঁৱৰি তাই পুলকিত। "কৰ্ম্ম আৰু প্ৰেমৰ মাজত বিবাহৰ এই প্ৰথমবৰ্ষ, কেনেকৈ সোনকালে অতিবাহিত হৈ গ'ল, গমেই পোৱা নগ'ল। ইয়াকে ভাৱি ভাৱি সুজাতা অন্তিম ফুলপাহৰ ওচৰ চাপিল।

❑❑❑

# ৰাজুৰ আদ্দা আৰু ৰাজুৰ প্ৰেম

*শ্ৰী বিশ্বজিৎ চেতিয়া*
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

ঃ বাবা দা হাফ চাঃ একাপ দিয়ক।

ঃ আৰে ৰাজু ইমান দিনৰ মূৰত। ভালনে তোমাৰ? কি হ'ল ৰাজু মন চন মাৰি আছা যে?

ঃ নাই বাবা দা, এনে আৰু গাটো ভাল লগা নাই।

ঃ সোঁ লোৱা, চাহ একাপ খাই দিয়া একদম ভাল পাই যাবা।


ৰাজুৱে চাহ কাপত এটা দীঘল সোহা মাৰি ইফালে সিফালে চালে।

ঃ বাব দা ইসঁত কেইটা ক'ত?

ঃ আছে ওচৰতে কৰবাত আছে চোৱাচোন ৰাজু।

ৰাজুলৈ নোচোৱাকৈয়ে বাবায়ে বেলেগ কাষ্টামাৰৰ লগত ব্যস্ত হৈয়ে উত্তৰটো দিলে।

ৰাজু আজি, বহুত দিনৰ মূৰত আদ্দালৈ আহিছে। সম্পূৰ্ণ নাম ৰাজু হাজৰীকা ঘৰ নাহৰকটীয়াত। ইয়াত ৰানিংগেটতে এটা মেচত থাকি সি আৰু তাৰ লগৰ তপন সৌৰভ হঁতৰ লগত একেলগে কানৈ কলেজত পঢ়ে। সদায় গধুলী ৫.৩০ ৰ পৰা ৭.৩০-৮.০০ বজালৈকে এই বাবাদাৰ দোকানতে সকলোৰে আদ্দা।



আজিয়ো আদ্দা জমি আছে আদ্দাৰ নায়ক প্ৰত্যেক দিনাৰ নিচিনা ৰমেন। সকলোৱে ৰমেনক মাজত লৈ তাৰ কথা শুনি শুনি উকিয়াই হাহিঁছে আনকি আজি কমলৰ কথাই ওচৰৰ চেলুন খনৰ নাপিত দিনেশ ঠাকুৰকো আদ্দাৰ মাজলৈ তানি আনিছে।

ঃ ঐ ৰাজু ক'ত আছিলি বে এই কেইদিন? তাৰ পিঠিত হাত এখন থৈ এয়া তাৰ লগৰ ৰূপম, বাদ দে বাৰু সেইবোৰ ৰমেনৰ কথা শুনিবি আঁহ।

এইবাৰ ৰমেনেই ৰাজুক ক'লে - ঐ ৰাজু আজি কলেজৰ অপূৰ্বাক প্ৰপ'জেল দিলো নহয়।

ঃ তাই কি কলে? প্ৰায় সোধো নোসোধোকৈ ৰাজুৱে প্ৰশ্নটো সুধিলে।

কি কব আৰু তাইক বোলে অলপ সময় দিব লাগে, মই পিছে কৈ দিলো মোৰ ওচৰত সময় চময় নাই কি কব লগা আছে এতিয়াই কোৱা।

ঃ কেলে কলি তেনেকৈ? কেইদিনমান সময় দিব নোৱাৰিছিলি? এইবাৰ এইষাৰ মাত ৰাজুৰ ৰুমমেট সৌৰভৰ।

কেলে কলো জান, কাৰণ অপূৰ্বাৰ লগৰ জনী

তাইতকৈ মষ্টি বে। তাইৰ লগত এতিয়া মোৰ নতুনকৈ প্ৰেম হৈছে। আকৌ সকলোৱে একেলগে উকিয়াই উকিয়াই হাঁহিলে। কিন্তু ৰাজুৰ মুখত কোনো হাঁহিৰ চিন নাই। সকলোৱে ৰাজুক দেখি আচৰিত হ'ল কাৰণ কমলে মুখৰ পৰা এটা শব্দ উলিয়ালেই সৰ্বপ্ৰথমে ৰাজুৱেহে হাঁহে। কিন্তু আজি কেইদিনমান ধৰি ৰাজু যেন বৰ ডাঙৰ চিন্তাত মগ্ন।

ঃ ঐ ৰাজু কি হৈছে তোৰ নকৰ কেলে শ্ৰোদেষ্ণাৰ কথা ভাবিছ নেকি? সৌৰভৰ এই প্ৰশ্নত ৰাজু আচৰিত হোৱা নাই কাৰণ সি জানে সি চবৰ পৰা কথা লোকোৱাব পাৰিলেও সৌৰভে তাৰ মনৰ কথা বহুত সোনকালে বুজি পায়।

ঃ নাই ন - ন - নহয় তাইৰ কথা কিয় ভাবিম।

ঃ মিছা কথা কবলে আহিছ, তই তাইক লৈ কিমান চিৰিয়েছ আমি সকলোৱে জানো তাৰ পাছতো তই আমাৰ আগত এনেকৈ মিছাকে কব পাৰিছ। এই কেইদিন তই ৰুমতো আমাৰ লগত ভালকৈ মাত বোল কৰা নাই।

ঃ কা হোৱা ৰাজু প্ৰেম ছ্ৰেম কা চক্কৰ হেকা?

দিনেশ ঠাকুৰে আকৌ ধেমালি কৰিবলৈ চেষ্টা কৰিলে।

ঃ ঐ চুপ বিহাৰী ইহামে চিৰিয়েছ বাট চলতাহে অৰ তুম ধেমালি কৰতাহে।

ঃ চা ৰাজু আৰু এনেকৈ আৰু তই কিমান দিন থাকিবি। প্ৰায় এবছৰ তই তাইক চাই চাই ক'টালি, আৰু কিমান দিন হা, তাতোকৈ ভাল তই তাইক কৈ নিদিয় কিয়?

কেনেকৈ কও তাই এতিয়াও বহুত সৰু হৈ আছে, নুবুজিব চাগে একো।

ঃ কি? কলেজত পঢ়ি থকা এজনি ছোৱালীক তই সৰু বুলি কৈছ?

ঃ আৰে মূৰ্খ মোৰ কেইদিন মানৰ আগৰ গাৰ্লফ্ৰেণ্ড জনি কিহত পঢ়ি আছিল নাজান, ক্লাছ নাইনত। ৰমেনে এইবাৰ গৌৰৱতেই বুকুখন ফুলাই কলে।

ঃ তপনেও ৰাজুক অলপ খং খাই কলে, চা ৰাজু আমি আৰু একো নাজানো। মুঠতে তই কালি তাইক সকলো কথা কবই লাগিব। মনৰ পৰা যি ওলাই, চব তাইৰ আগত বলকি যাবি নাৰ্ভাচ নহবি বুজিলি।

ঃ অই ৰাজু জলদি কৰনেকা দৰনেকা নেহি, চুনা নেহি ক্যা কল কৰে চৌ আজ কৰ আজ কৰে চৌ অব।

ঃ বাপেৰৰ মুৰতো। সকলোৱে প্ৰায় একেলগে ঠাকুৰলৈ চাই চিঞৰিলে।

গোটেই ৰাতি তাৰ টোপনি অহা নাই। প্ৰতিটো ক্ষণত তাৰ চকুৰ আগত আহি আছে শ্ৰোদেষ্ণাৰ সেই মৰম লগা চকু হাল। এই চকুহালে তাক সকলো ক্ষেত্ৰত আমনি কৰিব ধৰিছে। ওহো নোৱাৰে আৰু সি সহ্য কৰিব গতিকে সি কালি তাইক কলেজত সকলো কথাই কব।

আজি তাৰ কি হৈছে সি একো ধৰিব পৰা নাই। চকুৰ আগত যেন এসোপা কলা ডাৱৰে আৱৰি ধৰিছে আজি তাৰ চব শেষ হৈ গ'ল, শ্ৰোদেষ্ণাই যে তাক (No) বুলি কব সিটো সপোনতো ভবা নাছিল কিন্তু আজি এইবোৰ কি হৈ গ'ল। আজি সি মাল খাব, অকল মাল?

ঃ ঐ হাগৰামা 'হাফ' এটা লৈ আঁহ,

আজি ৰাজুৱে দিনৰ পৰাই এইখন মদৰ দোকানত বহি আছে মদ খাই। দোকানখনত বাজি আছে জুবিনৰ এটা মিঠা গান, ইমান মৰম কোনেনো দিব' সচাঁকে কি মিঠা মাত, কি শক্তি জুবিনৰ মাতৰ তেওঁৰ গানে যে কাৰোবাৰ কলিজাত ঘা'পো মাৰিব পাৰে তেওঁ চাগে গমেই নেপাই। হাফটো শেষ হোৱাৰ লগে লগে ৰাজু লাহে লাহে দোকানৰ পৰা ওলাই গ'ল। গোটেই ৰাস্তাটো

আন্ধাৰে আৱৰি ধৰিছে ক'ৰবাত এটা দুটা মানুহ অহা যোৱা কৰি আছে। এনেতে চৰ-ৰ-ৰ-ক এখন বগা ৰঙৰ টাটা চুমু এখন তাৰ নিচহেঁ কাষত জোৰেৰে ব্ৰেগ মাৰি ৰখি গ'ল, আৰু লগে লগে গাড়ীখনৰ পৰা চাৰিটামান মষ্ট মষ্ট লৰা নামি তাক গালি পাৰি তাৰ মোখত ক্ৰমে ঘোচিয়াব ধৰিলে।

ঃ দাদা এৰি দিয়ক ই মোৰ লগৰ হয় প্লিজ দাদা আজি ই খাই আছে ক্ষমা কৰক ৰাজুক বচাবলে সৌৰভে লৰা কিজনৰ প্ৰায় ভৰিতে ধৰি ললে।

ঃ ঐ (লগত অশ্লীল মাত) মৰিব যদি মনেই আছে ট্ৰেইনৰ আগত পৰিদে একেবাৰে খটম হবি বুজিলি।

ঃ তই কি কৰিছিলি তই, অলপতে বাছিলি বুজিছ নহলে সেই পাগল কেইটাই তোৰ লগতে মোকো শেষ কৰে আৰু ইমান মদ খাবলৈ তোৰ কিহে পাইছে হাঁ।

ঃ তই নাজা'ন সৌৰভ তাই-তাই মো-ক 'No' কলে, মই এতিয়া কি কৰো তই 'ক'?

ঃ তাতে কি বৰ ডাঙৰ কথাটো হ'ল, তাই 'No' বুলি কলেই তই মৰি যাবি নেকি। আচলতে কি জান নে তই তাইৰ লগত প্ৰথমতে ফ্ৰেণ্ডচিপ কৰিব লাগিছিল।

ঃ ভয় লাগিলে তা-ৰ আগতে আন কোনোবাই তাই-ক লৈ যাব বুলি।

সিহঁতে এইবাৰ গৈ-গৈ নিজৰ ৰুম পালেগৈ, লগে-লগে সৌৰভে পানী এগিলাছ আনি ৰাজুক দিলে।

ঃ সোঁ খাই ল আজি তোৰ কথাৰো থৰ নাই। চা ৰাজু বাদ আৰু সেইবোৰ ইহঁতৰ নিচিনা ছোৱালীয়ে কেতিয়াও কাৰো মন বুজি নাপাব। বুজিছ। এনেয়ে মই প্ৰেম চেম নকৰা কে আছো নে। এতিয়া শুই থাকগৈ যা আজি তই বেছিকৈ খালি, কালি ৰাতিপোৱা কথা পাতিম।

ৰাজুক শুৱাই থৈ সৌৰভো নিজৰ বিচনাত ঢলি পৰিল। গোটেই ৰাতিটো ৰাজুৰে শুব পৰা নাই। গোটেই ৰাতিটো শ্ৰোদেষ্ণাৰ সেই তৎক্ষণাত ৰুদ্ৰমূৰ্ত্তি ধৰা মোখখনে তাক শুব দিয়া নাই। এজাক কলা ডাৱৰে যেন তাক কেও দিশৰ পৰা আৱৰি ধৰিছে। অৱশেষত ৰাতিয়ে পোৱাল তথাপিতো তাৰ টোপনি নাহিল।

ঃ ঐ ৰাজু কলেজ যাবিনে?

ঃ নাযাওঁ আজি গাটো ভাল নাই।

ঃ তেন্তে তই থাক মই যাওঁ। মোখ হাত ধুই কিবা এটা খায় ৰাজু আকৌ বিছনাত ধলি পৰিল। এইবাৰ তাক টুপনিয়ে মাতি নিছে। স্বয়ং ভগৱান ব্ৰহ্মায়ে তাক কিবা কব খুজিছে।

ঃ ৰাজু - ৰাজু

ঃ ও

ঃ শুনা ৰাজু এইবোৰ তুমি মিছাকৈয়ে চিন্তা কৰিছা। শ্ৰোদেষ্ণাক আমি বহুত মৰমত আৰু সময় লৈ সজা। তাই তোমাৰ বাবে হবই নোৱাৰে। বুজিছানে, তাইৰ বাবে আমি আন এজনকো ঠিক তেনেদৰে সাজিছো গতিকে তাইক শান্তিৰে থাকিব দিয়া।

এইবাৰ ভগৱান ব্ৰহ্মায়ে এটা চিগাৰেট জ্বলাই ললে।

ঃ আৰে ভগৱান আপোনিও চিগাৰেট খায় নেকি?

ঃ বাপেৰৰ মুৰটো, মই সৌৰভ। উঠ শুই আছ যে, চাৰিটা বাজিল।

ঃ অ সৌৰভ তই আহিলি।

ঃ তই আজিৰ পৰা শ্ৰোদেষ্ণাৰ বিষয়ে চব কথা পাহৰি যা বুজিলি। চা ৰাজু মোক চা মই কিয় এতিয়ালৈকে প্ৰেম নকৰাকে আছো 'ক'। কাৰণ জানো আজিৰ ঐ পৃথিৱীত প্ৰেম-চেম এইবোৰৰ কোনো অস্তিত্ব নাই। সেইবুলি মই কাকো ভাল নাপাওঁ বুলি ভাব নেকি? নাভাবিবি কাৰণ মই মোৰ মাক ভাল পাও বাইদেউক

ভাল পাওঁ সেইবোৰ মোৰ বাবে যথেষ্ট। আৰু শুন যিদিনাখন শ্ৰোদেষ্ণাৰ নিচিনা ছোৱালীয়ে তোৰ মোৰ নিচিনা লৰাকো পচন্দ কৰিব, সেইদিনাখনহে এই কলিযোগত আকৌ প্ৰেমে জন্ম লব আৰু ময়ো সেইদিনাখনহে এজনী ছোৱালীৰ লগত প্ৰেম কৰিবলৈ চেষ্টা কৰিম বুজিলি। বাদ দে সেইবোৰ বল এতিয়া আদ্দালৈ যাওঁ।

ঃ ৰ মই ওলাই লওঁ।

গোটেই ৰাষ্টাত ৰাজুৰে ভাবিলে, সচাঁকে সৌৰভে কি যে কথা কৈ দিলে মনৰ ক'লা ডাৱৰ বোৰ একেবাৰে আঁতৰাই নিয়ালে। শ্ৰোদেষ্ণা সুখত থাকিলেই ময়ো সুখী তাতকৈ আৰু মোক লাগে কি? থাকক তাই সুখেৰে থাকক।

ঃ বাবা দা হাফ চা এটা দিয়ক।

ঃ আৰে ৰাজু আজি তোমাক ভাল লাগিছে হাঁহি আছ যে সেই বাবে।

ৰমনে এইবাৰ ৰাজুক মাতি কলে।

ঃ ঐ ৰাজু বাদ দে এই প্ৰেম চেম। ময়ো বাদ দিলো ভাবিছো একেবাৰে বিয়াৰ পাছতহে প্ৰেম কৰিম।

ঃ কিন্তু এজনীৰ লগতেই কৰিবিনে এই প্ৰেম?

ৰাজুৰে কথাবোৰ অলপ পাহৰিবলেই কমলক শুধিলে।

ঃ ধেৎ বুৰ্বক এজনীৰ লগত প্ৰেম কৰিব পাৰি নেকি থাকিব পাঁচ ছজনীমান আ'ক।

হা - হা - হা - হা।

আজি সকলোতকৈ আগতে হাঁহিছে ৰাজুৰে চকুৰ মাজত কেইটোপালমান চকুলোলৈ।


□□□

গল্প

# অৰেশষত স্বস্তিৰ নিশ্বাস

*শ্ৰী সৌৰভ গগৈ।*
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ
কলা শাখা

চম্পকৰ মনটো কালিৰে পৰা বেয়া লাগি আছিল। যেতিয়া বন্ধুৱেক অসীমে তাক এৰি বাছত উঠিছিল তেতিয়া তাৰ চকুৰ পানীৰে দুগাল সেমেকি উঠিছিল। আজিৰ পৰা যে সি ঘৰৰ সকলোৰে মৰম আৰু গাঁৱৰ বন্ধুবোৰৰ সঙ্গ এৰি এই ডিব্ৰুগড় চহৰত অকলশৰীয়াকৈ থাকিব লাগিব সেই কথা ভাৱি তাৰ মনটো ভাল লগা নাছিল। কলেজৰ প্ৰথম দিন বুলিয়েই সি আজি সকলো দুখ-ভাগৰ নেওচি সোনকালে বিছনা এৰিলে। মুখ-হাত ধুই ফ্ৰেচ হৈ পেহীয়েকে দিয়া চাহ কাপ খাই লৰা-লৰিকৈ কলেজলৈ বুলি ওলাই বেগটোত নোটবুক এখন ভৰাই ললে। সদায় শুনি থকা ৰেগিঙৰ ভয় এটা মনত লৈ সি কলেজ পালেগৈ। দুজনমান ছাত্ৰৰ লগত চিনাকি হৈ সি ক্লাছত সোমালেগৈ। ইতিমধ্যে ৰাজনীতি বিজ্ঞানৰ অধ্যাপক সোমালহি। চম্পকে খিৰীকিয়েদি তাৰ নতুন চিনাকি বন্ধু এজনক চিঞৰি মাতি দিলে। চম্পকে অধ্যাপক শইকীয়া কেতিয়া প্ৰৱেশ কৰিলে ততকেই ধৰিব নোৱাৰিলে। অধ্যাপক শইকয়াই খঙৰ ভমকত তাক ওচৰলৈ মাতিলে। চম্পকে ওচৰলৈ গৈ ছৰী বুলি কব নাপাওঁতেই দুটা তীব্ৰ চৰ ওপৰা-ওপৰিকৈ তাৰ



গালত পৰিল। খং আৰু লাজত সি বেঞ্চত গৈ তলমূৰ কৰি বহি থাকিল। ইমান সাধাৰণ কথাতে তেনেকৈ সকলোৰে আগত তেনেকৈ তিৰস্কাৰ কৰাৰ বাবে তাৰো খং উঠিছিল। কিন্তু তাৰ নিজৰে ভুল বুলি ভাবি বিবেকক ধৰি ৰাখিছিল। এই কাণ্ড দেখি বাকী সকলো ছাত্ৰ-ছাত্ৰীয়ে ভয় খালে। খং মাৰ যোৱাৰ পাছত শইকীয়া ছাৰেও নিজৰহে ভুল বুলি স্বীকাৰ কৰিলে। তেওঁৰ আচৰণে সকলোৰে ওচৰত এজন জ্ঞানী অধ্যাপকৰ পৰিচয় দিলে।

কলেজৰ প্ৰথম দিনটোৰ সেই অবাঞ্চিত ঘটনাক চম্পকে আজি তিনিমাহলৈকে সম্পূৰ্ণকৈ পাহৰিব পৰা নাই। এনেতে এদিন অংকুৰ নামৰ এজন ছাত্ৰই চম্পকক ছাৰে ৰুমলৈ মাতিছে বুলি কৈ গল। খবৰটোৱে চম্পকৰ মনত ঘটনাতো পুনৰ সজীৱ কৰি তুলিলে।

মনত এটা শংকাৰ ভাব লৈ সি শইকীয়া ছাৰ দুৱাৰ মুখত থিয় হলগৈ। দুৱাৰমুখত ৰৈ থকা দেখি শইকীয়া ছাৰে ভিতৰলৈ মাতি নিলে আৰু তেওঁৰ সন্মুখত থকা চকীখনত বহিবলৈ দিলে।

চম্পকেই প্ৰথমে সুধিল - ছাৰ মোক কিয় মাতিছিল? ছাৰ অলপ দুখ কৰি কলে - কি কম চম্পক সিদিনা তোমাক তেনেকৈ তিৰস্কাৰ কৰি মই আজিও শান্তি পোৱা নাই।

চম্পকে সৰলভাৱে কলে - ছাৰ আপুনি তেনেকৈ কিয় কৈছে, ভুল মই কৰিছিলো তাৰবাবে মই উচিত শাস্তি পালো। মই এজন শিক্ষাগুৰুৰ সন্মানত আঘাত সানিলো। তাৰ বাবে .... চম্পকৰ চকু সেমেকি আহিছিল।

– হলেও মই তোমাক তেনেকুৱা কৰিব নালগিছিল।

ছাৰে পুনৰ নিজকে দোষাৰোপ কৰি কলে। চম্পকে এইবাৰ কলে – মোৰ বোধেৰে ছাৰে সেইদিনা যি কৰিলে ঠিকেই কৰিলে। কাৰণ বাকী ক্লাছবোৰত হুলস্থুল কৰি থকা কেইজনেও অন্ততঃ আপোনাৰ ক্লাছটোত মনে মনে থাকে।

চম্পকৰ কথাবোৰ শুনি ছাৰে এটি দীঘল হুমুনিয়াহ কাঢ়িলে। বহুদিনৰ মূৰত আজি যেন মনলৈ শান্তি ঘূৰি আহিছে।

চম্পকেও ছাৰ কমৰ পৰা ওলাই আহি শান্তি অনুভৱ কৰিলে আৰু আনন্দমনেৰে শ্ৰেণী কোঠাত সোমালেগৈ।

❑❑❑

## মহৎ লোকৰ বাণী

সংগ্ৰাহক ঃ *কালু ঘোষ*
টিঃ ডিঃ চিঃ ২য় বাৰ্ষিক

- শিক্ষা জীৱন আৰম্ভ গল্প আৰু খেলাধূলাৰ মাজেৰে হ'ব লাগে।

  – প্লেটো
- দহোটা আঙুলিয়েই এজন মানুহৰ প্ৰকৃত বন্ধু।

  – ৰবাৰ্ট কালিস্মাৰ
- সংসাৰৰ অন্য বস্তু গাৰ বলেৰে বা ধনেৰে সংগ্ৰহ কৰি ল'ব পাৰি, কিন্তু জ্ঞান সেইদৰে অৰ্জন কৰি ল'ব নোৱাৰি। তাল কাৰণে অধ্যয়নৰ প্ৰয়োজন হয়।

  – জনচন
- দান কৰা বস্তুটো ঘূৰাই নিদিয়াটো ধন পৰিশোধ নকৰাৰ সমান।

  – কৌটিল্য
- জীৱনটো এক সংগ্ৰামৰ থলী, সাহস আৰু কৰ্মপটুজনেহে এই সংগ্ৰামত জয়লাভ কৰিব পাৰে।

  – নেপোলিয়ন

# আমি কিবা পাহৰি গৈছো নেকি?

*শ্ৰী ৰবীন্দ্ৰজিৎ দাস*
শ্ৰেণী – বি. এ. ১ম বৰ্ষ
কলা শাখা।



দিনৰ পিছত দিন পাৰ হৈ গৈ আছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে আমাৰ মনৰো কিছু পৰিৱৰ্তন হবলৈ ধৰিছে। এই পৰিৱৰ্তনৰ মাজতে কেতিয়াবা হঠাৎ আমাৰ মনত এনেকুৱা কিছুমান ভাব জাগি উঠে যে আমি ক'লৈ গৈ আছোঁ? আমি ক'ৰবাত ভুল কৰিছো নেকি? আমি কিবা পাহৰি পেলাইছোঁ নেকি? ইত্যাদি ইত্যাদি। আজিৰ তুলনাত আগৰ দিনৰ পুৰুষ-মহিলাসকল শিক্ষিত নাছিল সঁচা, কিন্তু তেওঁলোক মৰম--চেনেহৰ গৰাকী আছিল।

সময় সলনি সমাজ সলনি। আগৰ যুগৰ তুলনাত আজিৰ যুগত আমি যিমানেই শিক্ষিত হৈ আহিছো সিমানে আমাৰ মনৰ পৰা কু-সংস্কাৰ, অন্ধ বিশ্বাস আদি দূৰ হৈছে সঁচা, কিন্তু আমি শিক্ষিত হোৱাৰ ফল স্বৰূপে আমাৰ মনত বিভিন্ন হিংসা, বিদ্বেষ আদিয়ে বাহ সাজিব ধৰিছে। আজিৰ যুগৰ শিক্ষিত পুৰুষ-মহিলাই তেওঁলোকৰ পৰিয়াল আৰু ভৱিষ্যতক লৈ ইমানে ব্যস্ত যে তেওঁলোক তেওঁলোকৰ আত্মীয়-স্বজন বা ওচৰ-চুবুৰীয়াৰ লগত দুআষাৰ ভাল বেয়াৰ কথা পাতিবলৈকো সময় নাই। আগৰ দিনত মাক-দেউতাক সকলে তেওঁলোকৰ লৰা-ছোৱালীক Summer vacation, Puja Vacation, আদিত তেওঁলোকক তেওঁলোকৰ আত্মীয়-স্বজনৰ ঘৰত ফুৰাবলৈ নি আনন্দৰে দিন পাৰ কৰিছিল। শিশুসকলৰ বাবে সেই সময়ছোৱা আনন্দৰ সীমা নোহোৱা সময়। কিন্তু আজিৰ যুগৰ পুৰুষ--মহিলাসকলৰ মনৰ ধাৰণা হ'ল তেওঁলোকৰ শিশুসকলক আত্মীয়-স্বজনৰ পৰিৱৰ্তে বাহিৰত ফুৰাবলৈ নিয়াৰ কথা। তেওঁলোকৰ ভাব আত্মীয়-স্বজনৰ ঘৰত ফুৰাবলৈ নিলে কি শিকিব? কি দেখিব? আদি। কিন্তু তেওঁলোকৰ অকণমানো অনুভৱ কৰিবলৈ সময় নাই যে, এই ধাৰণাই তেওঁলোকৰ এই কণমানি শিশুসকলক নিজৰ আত্মীয়ৰ পৰা দূৰ কৰাইছে, নিজৰ ওচৰ-চুবুৰীয়াৰ লগত মিলা-প্ৰীতিৰ ভাৱ লুপ্ত কৰাইছে। তেওঁলোকৰ অলপো উপলব্ধি কৰিবলৈ সময় নাই যে, এই উঠি অহা কণমাণি শিশুসকলেই দেশৰ ভৱিষ্যৎ, দেশৰ সংস্কৃতি ৰক্ষক।

আমিয়েই সমাজ গঢ়ো
আমিয়েই সমাজ ভাঙো
আমিয়েই ৰীতি-নীতি মানো
আমিয়েই দেশ গঢ়ো।

গতিকে যেতিয়ালৈকে প্ৰত্যেকজন মানুহে আমি বোলা শব্দটোৰ অৰ্থ বুজি নাপায় বা বুজিবলৈ নিবিচাৰে তেতিয়ালৈকে এনেবোৰ হিংসা-বিদ্বেষ মানুহৰ মনত জাগিয়েই থাকিব। সেইবাবে আহক আমি আমাৰ দেশ মাতৃৰ চৰণ চুই প্ৰতিজ্ঞা কৰোঁ যে আমি সদায়েই আমাৰ সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা বজাই ৰাখিম, যিটো অতীততে আমাক মহান মানৰ গুণীসকলে দান দি গৈছে।

□□□

# যুগে যুগে সমাজ আৰু নাৰীৰ স্থান

*শ্ৰীমতী মৃদুলা বৰুৱা*
কলা শাখা, প্ৰথম বাৰ্ষিক ছাত্ৰী।

প্ৰাগ ঐতিহাসিক আৰু আদিম যুগত সমাজবিলাকত নাৰীৰ প্ৰাধান্য বেছি আছিল। নাৰী- অৰ্দ্ধাঙ্গিনী, জননী, অঙ্গনা কতযে নাম। নাৰী হ'ল সৃষ্টিৰ আধাৰ। গান্ধীজীয়ে ত্যাগ, ধৈৰ্য আৰু সহনশীলা হিচাপে নাৰীক পুৰুষতকৈ শ্ৰেষ্ঠ স্থান দিছিল। মাওচে টুঙে নাৰীক অৰ্দ্ধ আকাশ বুলি অভিহিত কৰিছিল। সময়ে সময়ে বিজ্ঞজনে নাৰীৰ প্ৰতি সন্মানজনক মন্তব্য দি নাৰী পুৰুষৰ সমতা ৰক্ষাৰ চেষ্টা কৰিছিল। ভাৰতৰ দৰে পিতৃ তন্ত্ৰৰে পৰিচালিত সমাজত নাৰী হৈ পৰে সন্তান উৎপাদনৰ যন্ত্ৰ আৰু পুৰুষৰ যৌন সম্ভোগৰ সামগ্ৰী। নাৰী–পুৰুষৰ শ্ৰম বিভাজন সমাজত প্ৰকট হৈ পৰে। ঐতিহাসিক যৌহা? উৎপাদনৰ পৰা নাৰী বিতাৰিত হয়।



১৮৪৯ চনত হিন্দু বালিকা বিদ্যালয় স্থাপন হয় আৰু ১৮৫৪ চনত উদৰ নিৰ্দেশনামাই স্ত্ৰী শিক্ষা বিস্তাৰৰ অৰ্থে দেশত বালিকা বিদ্যালয় পতাত গুৰুত্ব দিছিল। ১৯০৭ চনত মহিলাক সম্পতিৰ সীমিত অধিকাৰ প্ৰদান আদি ইয়াৰ উল্লেখযোগ্য পদক্ষেপ, ১৯১৬ চনত দিল্লীত মহিলাৰ বাবে প্ৰথম চিকিৎসা মহাবিদ্যালয় স্থাপিত কৰা হয়। ১৯৫৬ চনত বিধৱাসকলকো সম্পতিৰ অংশ পোৱাৰ অধিকাৰ প্ৰদান কৰা হয়।

মহাকাব্য পুৰাণৰ যুগত সীতা, সাবিত্ৰী, মদালসা, দময়ন্তী আদি হিন্দু নাৰীৰ চৰিত্ৰত যি আদৰ্শ দাঙি ধৰা হৈছে সেইবোৰ হিন্দু নাৰীসকলৰ বাবে এট মহান আদৰ্শ। বৈদিক যুগত জ্ঞান, তীক্ষ্ণবুদ্ধি, চিন্তা, দৃঢ়তা ধৈৰ্য, সাহস আদিত নাৰী যিদৰে আগবঢ়া আছিল, পৰৱৰ্তী কালত বিভিন্ন পাকচক্ৰত পৰি সেই গতি ৰুদ্ধ হোৱা পৰিলক্ষিত হয়।

শ্ৰেণী আধিপত্যৰ অস্ত্ৰ হৈ পৰাৰ পৰিণতিত শোষণ প্ৰক্ৰিয়া আৰম্ভ হল। মাৰ্ক্সএঙ্গেলচৰ মতে নাৰী প্ৰথমা শ্ৰেণী সৰ্বহাৰা। আগৰ পুঁজিবাদী সমাজ ব্যৱস্থাত নাৰীৰ স্থান উল্লেখনীয়। দেখা যায় যে, স্বাধীনতাৰ কালতো ভাৰতীয় পুৰুষ প্ৰধান সমাজত শিক্ষাৰ ক্ষেত্ৰত মহিলাসকল পিছপৰি থাকিল। আমাৰ সমাজত প্ৰচলিত

কিছু পৌৰাণিক ধ্যান ধাৰণাৰ বাবেই এনে অৱস্তা হৈছে বুলি ভাবিব পাৰি। পৃথিৱীৰ কোনো দেশতেই সংগ্ৰাম নকৰাকৈ নাৰীয়ে প্ৰতিষ্ঠা লাভ কৰিব পৰা নাই।

১৯০৮ চনৰ ৮ মাৰ্চত নাৰীসকল ওলাই আহিছিল ৰাজপথলৈ। সেই তেতিয়াৰপৰা বছৰি ৮ মাৰ্চৰ দিনটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰা হয়। প্ৰাচীন ভাৰতৰ আইনদাতা মনুৱে কৈছিল নাৰী কেতিয়াও শিক্ষা লাভৰ উপযুক্ত নহয়। কিন্তু সেইজন মনুৱেই পিছত কৈছিল য'ত নাৰীক সন্মান কৰা হয়, তাত দেৱতাসকল সন্তুষ্ট হয় আৰু যত নাৰীক অসন্মান কৰা হয়, সেই ঠাইত কৰা সকলো ধৰ্ম্মানুষ্ঠানেই বিফল হয়।

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত নেহৰুৱে কৈছিল - এটা লৰাৰ শিক্ষা মানে এজন ব্যক্তিৰ শিক্ষা, কিন্ত এজনী ছোৱালীৰ শিক্ষা মানে হৈছে সমূহ পৰিয়ালটোৰেই শিক্ষা। আজিৰ মহিলাসকল ৰাজনীতিজ্ঞ, দক্ষ খেলুৱৈ, বিমান চালিকা, সুদক্ষ চিকিৎসক, কথাছবি পৰিচালিকা আদি ৰূপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে যদিও আজিৰ তাৰিখলৈকে সমাজত নাৰীৰ ওপৰত অত্যাচাৰ চলিয়েই আছে। বিশেষকৈ প্ৰতিগৰাকী প্ৰতিবাদী নাৰীয়েই ৰাজনৈতিকভাৱে শিক্ষিত হ'বই লাগিব অন্যথা নাৰীমুক্তি সপোনৰো অগোচৰ যেন লাগে।

ভাৰতীয় সংবিধানৰ ১৪, ১৫ আৰু ১৬ নং অনুচ্ছেদত নাৰীক সমধিকাৰ প্ৰদান কৰিছে। কিন্তু সংবিধানে দিয়া অধিকাৰখিনিৰ পৰা আমাৰ নাৰী সমাজ আজিও বঞ্চিত হৈ আছে। আমাৰ নাৰী সমাজৰ বঞ্চিতৰ মূল কাৰণ হল–

(১) আমাৰ সমাজ ব্যৱস্থা

(২) নাৰীয়ে আত্মনিৰ্ভৰশীল হবলৈ চেষ্টা নকৰি অতীজৰ পৰা গঢ় লৈ উঠা সামাজিক কু–সংস্কাৰ বোৰ মানি চলা।

(৩) নাৰীয়ে নিজকে অৱলা বুলি ভৱা।

(৪) শিক্ষাগত অৰ্হতা কম। শিক্ষাৰ ক্ষেত্ৰত নাৰী পিছপৰি আছে।

দেশৰ জ্ঞান-বিজ্ঞান, শিক্ষা–সংস্কৃতিৰ জগতখনলৈ নাৰীয়ে অপৰিসীম অবদান আগবঢ়াইছে। দেশে দেশে জন্ম হল বিভিন্ন নাৰী সংগঠন। নাৰীবাদৰ চিন্তাবিদসকলে নাৰী মুক্তি পথ চিহ্নিত কৰিলে। আজিৰ যুগত পুৰুষৰ যিমানে অধিকাৰ আছে নাৰীও সমানে অধিকাৰ আছে। দেশৰ ভিতৰত ৮৭ টা মহিলা স্বাক্ষৰতাৰে কেৰেলাই শীৰ্ষস্থান দখল কৰিছে।

একৈশ শতিকাত ঠিয় হৈ ভাৰতৰ গ্ৰামাঞ্চলৰ কল্যাণ শিশুৰ শিক্ষালাভৰ গুৰুত্ব উপলব্ধি কৰিলেহে এখন ঘৰ, এখন গাওঁ আৰু এখন ৰাষ্ট্ৰৰ সৰ্বতো প্ৰকাৰে মঙ্গল হ'ব।

□□□

# নাঙলৰ মুঠিত

*শ্ৰীমতী হিৰণ্য সোনোৱাল*
স্নাকোত্তৰ মহলা, ১ম বৰ্ষ
অসমীয়া (মেজৰ)

ৰাতিপুৱা হবলৈ হৈছে। যদুৱে ৰাতিপুৱাৰ কুকুৰাৰ ডাক শুনি ধৰিব পৰা উঠি মানুহজনীক জগাই, গোহালিৰ পৰা গৰুহাল খুলি চিকমিকীয়া সময়ত পথাৰলৈ গৰুহাল নি আছে। সিহঁতৰ ঘৰৰ পৰা পথাৰলৈ প্ৰায় এক মাইল মান বাট অতিক্ৰম কৰি যাব লাগে। পথাৰলৈ যাওঁতে গাওঁৰ মাজেৰে যাব লাগে। গোৱাটিটো গছ-গছনিৰে ধাকি আছে, চাৰিওফালে নিৰৱ যেন লাগিছে, মাঁথো বাঁহনিৰ কেৰেক-কৰুক শব্দ। গোৱাটিৰ ফালে যদুৱে গৰুহালৰ লগত এখোজ-দুখোজকৈ আগবাঢ়ি গৈ আছে। এনেতে দেখা-নেদেখা অৱস্থাত মৃণালে মাত লগালে হেৰা যদু নহয়নে? আজি বহুত সোনকালে ওলালা দেখোন ৰবা লগত ময়ো নিয়ো। যদুৱে কলে, গৰু কেইটাইতো ৰখি নাথাকে মই লাহে লাহে গৈ আঁছো তুমি আহিবা। পিছে পিছে মৃণালে যদুৰ লগ লাগিব। মৃণালে সুধিলে - হেৰা যদু আজি ধান সিচিবি নেকি?



যদুৱে কলে - আজি সিঁচিম বুলি ভাবিছো, কেইহাল মান মাৰিছো এতিয়া আহিলেহে সিঁচিব পাৰিম। তুমি আজি আমাৰ পথাৰত ভাই দিব পাৰিবা নেকি?
মৃণালে কলে - হব দে, তুমি কৈছা যদি তোমাৰ কথাতো পেলাব নোৱাৰো গতিকে তোমাৰ তাতে ভাম। পিছে যদু মানুহৰ মুখ বাগৰি শুনিছো তোমাৰ মাটি টৌকোৰাত খেলি-মেলি লগাব ধৰিছে।
যদুৱে কলে - ঠিকেই শুনিছা আজি কালি প্ৰায়ভাগ নিজৰ মানুহে বৰকাঠচেতীয়া কটা ঘাত সিহঁতে নিমখ দিছে।
মৃণালে সুধিলে - এতিয়া বাৰু কি ভাবিছা।
যদুৱে কলে - অত দিনে লোকৰ মাটিত খেটি কৰি লৰি ধাপৰি ডাঙৰ হলো। যেতিয়াই গছত ফল দিবৰ সময় হয়, তেতিয়াই মাটিৰ গৰাকী খেতি কৰিবলৈ বন্ধ কৰি নিজে কৰিম বুলি কয় নহলে আনমানুহক কৰিবলৈ এৰি দিয়ে। এতিয়া এই গেজিংটোকোৰা খুলিলো দুবস্তা মান ধান পাইছিলোহে তাতে এনে বেমেজালিৰ উৎপত্তি কৰিছে।
মৃণালে কলে - বুজিচ, যদু এইবোৰ সকলো মানুহৰ বৰ স্বাৰ্থপৰ মানুহক অলপ উন্নতি হোৱা দেখিলেই কেনেকৈ তললৈ নমাব পাৰি তাকহে ভাবে।

এনেদৰে দুয়ো কথা পাতি পাতি পথাৰ পাওঁ পাওঁ অৱস্থা। অলপকৈ পোহৰ হবলৈ ধৰিছে, পথাৰত চিক-মিককৈ কিছুমান মানুহ দেখা গৈছে। দুয়ো গৈ পথাৰৰ ওচৰ পালেগৈ, দেখিলে মানুহবোৰে মাটি খাণ্ডিবলৈ ধৰিছে। যদুৱেই ওচৰলৈ গৈ খণ্ডাবোৰ বন্ধ কৰিবলৈ কৈছে

- তোমালোকক কোনে এইবোৰ খাণ্ডিবলৈ কৈছে। তোমালোকে দেখা নাই এজন মানুহে ইয়াত খেত কৰি জীৱন নীৰ্বাস কৰিছে। তহঁতৰ অলপো বেয়া নালাগেনে আনেই কলে লোকৰ মাটিত খাতিবলৈ আহিছা। এজনে তাৰ মাজৰ পৰাই কলে আমাক পইছা দিছে, আমি নকৰিম কিয়, এই হাজিয়াৰ জড়িয়তে আৰ্জী জীৱিকা নিৰ্বাস কৰিছো। লৰা-ছোৱালীক খুৱাইছে। এইজনৰ কথাবোৰতো কোনো ভুল নাচিল। কাৰণে যদুৱে মনে মনে তাতে বহি পৰিল। যিহেতু গাওঁখনৰ অৱস্থা একেবাৰে পিছপৰা, খেতি নাই বাটি নাই জনসংখ্যা তুলনাত মাটিৰ পৰিমানো নগণ্য যিকেইডোখৰ আছিল, তাকো বানপানীয়ে ঠান-বান কৰিলে। এতিয়া গাওঁৰ মানুহবোৰৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে সেইবাবে মানুহবোৰে দিন সাজিৰা কৰি কোনো মতে জীৱন নীৰ্বাস কৰিছিল। এইবোৰ কাৰণতে যদুৱেই একো কব নোৱাৰি মনে মনে বহি পৰিল। মানুহবোৰে কাম আৰম্ভ কৰিব ধৰিলে।


যদুৰ খং বাঢ়িবলৈ ধৰিছে। সেইকেইজনৰ ভিতৰত প্ৰধান হিচাপে আছিল বাবুল আৰু নিখাণ্ত। বাবুল আছিল গাওঁৰে গাওঁবুঢ়াৰ লৰা, নিখান্ত লিখা পঢ়া বেছি নকৰিলে নৱম শ্ৰেণীলৈ পঢ়ি এৰি দিয়ে। বাবুলে বেছি নপঢ়িলেও অতি টেঙৰ, চতুৰ আছিল। গাওঁৰ সকলোবোৰ লৰাকে হাত কৰি লৈছিল।

নিখান্ত আছিল দুকীয়া ঘৰৰ লৰা, নিজৰ ভেটোৰ বলত দুখ-কষ্ট লঙ্ঘন কৰি কোনো মতে বি. এ. লাভ কৰে। গাওঁখনৰ ভিতৰত তেওঁয়ে প্ৰথম ডিগ্ৰী ধাৰী কিন্তু এতিয়া চাকৰি বাকৰি নোহোৱাকৈ ঘৰতে বহি থাকিব লাগিচে। দুয়োজনে যদুৰ ঘৰলৈ প্ৰায় গৈ থাকে। তাতে কেতিয়াবা ভাত পানীও খাই আহে, যদুৰ দুজন লৰা আৰু এজনী ছোৱলী আছে। ডাঙৰ জন মেট্ৰিক পাচ কৰিয়ে চহৰত পঠাই দিয়ে। বাকী সৰুজন আৰু ছোৱালীজনী দশম আৰু অষ্টম শ্ৰেণীত পঢ়ি আছে। বাবুল আৰু নিখান্তই যদুক সিহঁতৰ ঘৰত গৈ লৰা ছোৱালীক ভালকৈ পঢ়াব লাগে বুলি কৈ থাকে তাৰোপৰি নিখান্তই নজনাবোৰ সিহঁতক দেখুৱাই দিয়। এনেবোৰ কাৰণত যদুৰ হঁতৰ ঘৰৰ মানুহে সিহঁতক ভাল পাইছিল। কিন্তু দুয়োজনৰ কণত বাৰ যদুৰ আগত প্ৰকাশ কৰা নাছিল। সিহঁতে ভাবিছিল চৰকাৰ পৰা কিহবাৰ অনুদানলৈ এই মাটি টোকোৰাৰ নষ্টৰ জড়িয়তে যদুক তলত পেলোৱা যিহেতু যদুৱেই দিনক দিন উন্নতি লাভ কৰিব ধৰিছিল। এইবাৰো লৰা জন প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। এই উন্নতি দেখি মানুহৰ চকুত জ্বলিব ধৰিছিল।

এই কাৰ্যত নেতুৱে আগভাক লৈছিল। নিখান্তই লিখিব পঢ়িব জানিলেও অকৰা আছিল, বাবুলে লগত থাকি মাত্ৰ কামবোৰহে কৰিদিছিল, টকাবোৰ সংগ্ৰহ কৰিছিল বাবুলে। দুয়ো মিলি চৰকাৰ পৰা ফিচাৰি খাণ্ডিবলৈ অনুমতি লৈ আহে। সেই উদ্দেশ্য পিছদিনাৰপৰাই তাত কাম লগাব ধৰে।

এনেতে দুৰৈৰ পৰা নিখান্তই আৰু বাবুলক দেখি যদুৱে সিহঁতৰ ওচৰত গৈ গালি পাৰিব ধৰিলে। তহঁতে অন্য ঠাই বিচাৰি নাপালি, এজন মানুহ জীৱিকা নিৰ্বাস কৰা খেতিৰ ওপৰত এই কাম কৰাইছে। তহঁতক নিজৰ বুলি ভাবিছিলো তহঁতে এনে কাম কৰিলি। নোৱাৰি তহঁতৰ নিচিনা লৰাক বিশ্বাস কৰিব নোৱাৰি। নিখান্তই লাহেকৈ কলে যদু দাদ এইটো আমি কৰো বুলিতো কৰা নাই নহয়। চৰকাৰে আমাক কৰিবলৈ অনুমতি দিছে বুলি কৈ তাৰ পৰা দুয়ো আঁতৰি যায়। অৱশেষত একো কৰিব নোৱাৰি তেওঁ পথাৰৰ পৰা ঘৰলৈ গুচি আহে। দীঘলীয়া পথ আহি থাকোতে ভাবি আহিছে যে অতদিনে লোকৰ পথাৰত খেতি কৰি কৰি নিজৰ বুলি খুলি লোৱা গিজিঙৰ মাটিও হিংসা কপতৰ ফলত হেৰুৱাব লগা হল। এনেকৈ তেওঁ মনত দুখ চিন্তাই আগুৰি ধৰে।

□□□



# সংখ্যাৰ বন্ধু ৰামানুজন
# (১৮৮৭ - ১৯২০)

*যোগেন দত্ত*
স্নাতক, ১ম বৰ্ষ
কলা শাখা

বিশ্ববিদ্যালয়ৰ চোতাল নগচাকৈয়ে গণিত জগতত উজ্বল ভোটা তৰা হোৱা শ্ৰী নিৱাস ৰামানুজনৰ জীৱন বৃত্তান্ত কিংবদন্তিৰ সাধুৰ দৰেই ৰোমাঞ্চকৰ। জাহাজ কোম্পানীৰ কেৰাণীৰ কাম কৰিও গণিতৰ বিশেষকৈ সংখ্যাৰ প্ৰকৃতি জানিবলৈ তেওঁ সদায় দিনে ৰাতি কাম কৰি গৈছিল। সৌভাগ্যক্ৰমে তেওঁৰ সেই নিচাৰ কথা ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ প্ৰথিতযশা গণিতজ্ঞ অধ্যাপক হেৰল্ড হাৰ্ডিৰ (১৮৭৭-১৯৪৭) কাণত পৰিল। হাৰ্ডিয়ে তেওঁৰ গণিতৰ জ্ঞান দেখি বিমোহিত হল আৰু তেওঁক লণ্ডনলৈ নিয়াৰ ব্যৱস্থা কৰিলে। তাত ৰামানুজনে গণিতৰ গৱেষণাৰ সুবিধা পালে। কিন্তু নিজৰ কঢ়া নীতি-নিয়মৰ মাজত সেই দেশৰ জলবায়ুত টিকিব নোৱাৰি ভগ্ন স্বাস্থ্য লৈ নিজৰ দেশলৈ উভতি আহিল। ১৯২০ চনৰ ২৬ এপ্ৰিলৰ দিনা তেওঁ অকালতে মৃত্যুৰ মুখত পৰিল।

ৰামানুজনে সংখ্যা আৰু চাৰি প্ৰক্ৰিয়াৰ চাৰি চিনেৰে খেলা কৰিছিল বুলি কব পাৰি। তেওঁ বহুতো সংখ্যা সম্বন্ধীয় অনুমান কৰি গৈছে। সম্প্ৰতি সেইবোৰ সংখ্যাতত্ত্বৰ গৱেষকৰ বাবে হৈছে গৱেষণাৰ সমল আৰু প্ৰত্যাহ্বান। এনে লাগে, তেওঁ যেন সংখ্যাৰ জগতখনতহে বিচৰণ কৰিছিল।

এবাৰ তেওঁ নাৰ্ছিং হোমত চিকিৎসাধীন হৈ থাকোঁতে অধ্যাপক হাৰ্ডিয়ে দেখা কৰিবলৈ গ'ল। তেওঁ ৰামানুজনৰ ওচৰ পাই কলে - জানানে, মই অহা টেক্সিথনৰ নম্বৰটো বৰ অভজা। ৰামানুজনে সংখ্যাটো কি বুলি সুধিলত হাৰ্ডিয়ে ১৭২৯ বুলি কলে। ৰামানুজনে লগে লগে উত্তৰ দিলে - নহয় ছাৰ ই বৰ সুন্দৰ সংখ্যা। এইটোৱেই হল আটাইতকৈ সৰু সংখ্যা যাক দুই ধৰণে দুটা ঘন সংখ্যাৰ সমষ্টিৰূপে প্ৰকাশ কৰিব পাৰি।

১৭২৯ উ ২৩ ই ১২৩

১৭২৯ উ ৯৩ ই ১০৩

ৰামানুজনৰ স্মৃতিশক্তি আছিল অতি প্ৰখৰ। তেওঁ ..., .... আৰু .... ৰ মান যিকোনো দশমিক ঘৰলৈ সৰসৰকৈ কব পাৰিছিল.

❑❑❑

# বিফলতা

*শ্ৰীমতী হিৰণ্য সোনোৱাল*
স্নাতক, ১ম বৰ্ষ
অসমীয়া (মেজৰ)

উপজিলো যিদিনা এই পটভূমিত
দেখো, মাথো বিফলতা।
ডাঙৰ হ'লোঁ যিদিনা
বিফলতাত ভৰি দিলো,
ইফালে ভৰি দিছো সিফালে ভৰি দিছো,
খুজে প্ৰতি পিছলি পৰিছো।
দিন-ৰাতি সপোন ৰচোঁ
সকলো ভাগি-ছিগি যায়।
ৰৈ যায় মাথো স্মৃতি স্মশান।
সখীৰ লগত বহি ৰূপালী ঘৰ সাজোঁ,
জীৱনৰ কথা পাতো,
সি কালৰ গতিলৈ উটি যায়।
কিয় যে আহিলোঁ মায়া নগৰত
সকলো ছাৰখাৰ হৈ যায়।
সকলো ফালে মাথো বিফলতা
বিফলতা মাজতে বুৰিব নাওঁ
যামগৈ আঁতৰি সংৰাজি এৰি॥

□□□

# বেদনা

*শ্ৰীমতী ঝৰ্ণা ছেত্ৰী*
স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী
অৰ্থনীতি বিভাগ

আই তুমি নাকান্দিবা
তুমি নুবুজিলা মোৰ দুখৰ বেদনা,
গভীৰ দুখত পৰিছোঁ আজি
প্ৰতিটো খোজতে খোজ মিলাই গৈছো আগুৱাই।
বৰষুণৰ পানীৰ দৰে টোপ-টোপকৈ,
জীৱনলৈ আহিছে গভীৰ দুখ,
পাৰিমনে জীৱনত হ'বলৈ সক্ষম
সেয়ে জীৱনক লৈ কৰিছো সংগ্ৰাম।
প্ৰতিটো পুৱাই আনে নতুন প্ৰেৰণা
আছো ৰই তাৰে আশাৰে
কৰিছো জীৱনক লৈ নতুন সন্ধান
তোমাৰ আৰ্শীবাদ দুৰত লৈ।
চাৰিওফালে বিচাৰি খালো হাবাথুৰি
সুখৰ যে লেখ মাথো নাই
দুখৰ মাজতে জন্ম ললো,
দুখতে জীৱন হব দোষ
আই তুমি নাকান্দিবা।

□□□

# নীৰৱে অকলশৰে নিজানত

*পাৰ্থ প্ৰতিম বৰ্মণ*
প্ৰাক্তন ছাত্ৰ

চকুলো বাগৰে এই দুচুকুৰেদি
বুকু ও মোৰ তিতে
উচুপি উচুপি কান্দো নিজানত বহি।
বাৰ্তালাপ কৰো মই নিৰৱে
বতাহৰ লগত, গছৰ পাতৰ লগত।
নীল আকাশৰ তলত।
তুমি এজনী উৰণীয়া পখিলা
ধৰিব নোৱাৰো তোমাক।
মোৰ আশা হৈছো গুজি মনত নিৰৱে
টুকিছো চকুলো,
অথচ নকওঁ তোমাক
বুকুৰ যন্ত্ৰণাবোৰ।
কিমান ভাল পাওঁ তোমাক
নোৱাৰো কৰিব ব্যাখ্যা।
তুমি নুবুজিবা অন্ধকাৰত বন্ধ হৈ
থকা কোঠাটোৰ কথা।
নুবুজিবা তুমি
সেমেকা হিয়াৰ কথা।
তুমি নেদেখা কঁচুপাতৰ এঢোক পানী,
নেদেখা তুমি ৰাতিপুৱাৰ নিঁয়ৰৰ টোপাল।
তুমিতো নুবুজা দুখীয়াৰ দুখ,
যিহেতু তুমি বাস কৰা এখন উচ্চ সমাজত।

দুৰৰে পৰা ভাৱো তোমাৰ কথা,
মোৰ কথা জানো তুমি ভাৱা,
মাথো এই কথাই ভাৱো।
অকলশৰে দিন সলাইছো,
সলাইছো ৰাতি,
তিতিছো বৰষুণত,
শুকাইছো ৰদত,
এনেকৈ পাৰ কৰিছো নিঠৰুৱা জীৱন।
সুখত নোৱাৰিম জীৱন কটাবলৈ
নমৰো মই সুখত
মাথো দুখত জীৱন কটাইছো
মৰিমো মই এই দুখত।

***Still I looked at nothing***
***but, Passed as in a dream seeing nothing.***

□□□



# মন আকাশৰ বৰষুণ



*মিণ্টু কুমাৰ দাস*
স্নাতোকত্তৰ ৩য় বৰ্ষ
বিজ্ঞান শাখা, পাছ কৰ্চ

আঁউসীৰ ৰাতিত কলা ডাৱৰৰ আঁৰত
যিদৰে লুকাই থাকে উজ্জ্বল তৰা
সেইদৰে মোৰ মন আকাশতো আছে
অপ্ৰকাশিত অলেখ ক্ষোভৰ বতৰা।
নিৰ্জনতাৰ আঁৰ লৈ, কেতিয়াবা
এইবিলাকে, সুৰুঙা বিচাৰে
নিজৰে প্ৰকাশ কৰিবলৈ
ঠিক আকাশখনে চকুলো টোকাৰ দৰে।
এইবিলাক মাথোঁ মোৰ চকুৰ পানী
মই কিন্তু সদায় সতৰ্ক,
যাতে ইবিলাকে কাৰোবাৰ অন্তৰ প্লাবিত
কৰি যেন নকৰে হানি।
এইবিলাক মাথোঁ মোৰ চকুৰ পানী
বেদনাসিক্ত হিয়াৰ করুণ বাণী
তথাপি যে ইবিলাক বৰষিব
আৰু বিলীন হ'ব সাগৰৰ
নিলীম জলৰাশিত
সকলোৰে অজানিতে
মন আকাশৰ বৰষুণ হৈ,. চিৰকাললৈ।

□□□

# অনুভৱ

*প্ৰণামিকা সন্দিকৈ*
ৰাজনীতি বিজ্ঞান
স্নাতোকত্তৰ ২য় বৰ্ষ

তুমি এদিন আহিছিলা মোৰ
জীৱনলৈ এটি সুপ্ত পথৰ
সন্ধান লৈ।
কিন্তু তুমি উভতি আঁতৰি
গ'লা এটি স্বপ্নাতুৰ
অতীত হৈ,
তোমাৰ আগমনে মোৰ
মনৰ পদুলিত
কিমান যে কৰিছিল
উন্মাদনা
তুমি হয়তো নুবুজিলা
তুমি তোমাৰ অভিমতৰ
পৰা বিচলিত নহৈ
নিজ মততেই ব্যস্ত
হৈ পৰিলা।
কাৰোবাৰ হৃদয়ৰ পৰা
ওলোৱা দুখৰ চকুলোবোৰ
হয়তো তুমি অনুভৱ নকৰিলা
অনুভৱ কৰিবলৈ তুমি
হয়তো এবাৰো চেষ্টাও
নকৰিলা।


□□□

# তুমি

*শ্ৰীমতী শ্যামলী চেতিয়া*
স্নাতোকত্তৰ ১ম বৰ্ষ
অসমীয়া বিভাগ

মোৰ হৃদয়ত টুবুকী লতাৰ দৰে
মেৰিয়াই ধৰা প্ৰেমৰ সেউজীয়বোৰ
বছৰ পাছত বছৰ বগাই গৈছে
গণি গণি শেষ কৰিব পৰা নাই,
সেয়ে ডায়েৰী পাতত লিখি গৈছো
মোৰ আকলুৱা প্ৰেমৰ দিনলিপি।
নিৰ্জনতাৰে আৱৰা গভীৰ নিশাবোৰ
এতিয়া মোৰ প্ৰিয় হৈ পৰিছে,
উজাগৰি নিশা কটোৱা তৰাৰ সতে
তোমাৰে বাৰ্তালাপ কৰো।
তুমিযে তৰা দেখিলে তন্ময় হৈ চোৱা
ডায়েৰী পাতত তাকো তুকি ৰাখিছো
তোমাৰ বাবে
এতিয়াও সৰিপৰা শেৱালি বুটলি
মালা গাথোঁ
ময়ো জানো সৰি পৰা শেৱালিৰ
সুবাহো হেৰাই যায়, তথাপিও
শেৱালি ফুল বুটলা
তমিয়ে শেৱালি ফুলৰ প্ৰেমিক হোৱা।
কেতিয়াবা।
দুচকু মুদি, অনুভৱৰ মজিয়াত
আঙুলি বুলাই চাওঁ,
কিমান গভীৰ?
আকুলতাৰে আইনাৰ সন্মুখত থিয় হওঁ
প্ৰতিবিম্বত তুমি
এবাৰ তোমাক স্পৰ্শ কৰো নাই
দূৰত বহু দূৰত
তথাপিও প্ৰেমৰ সেউজীবোৰ বগাই যায়
ডায়েৰীৰ পাত ভৰি যায়
তোমাৰ বাবে।

□□□



## তাণ্ডৱ জাপানৰ

*শ্ৰী মানস প্ৰতিম ফুকন*
স্নাতোকত্তৰ ৩য় বৰ্ষ
বুৰঞ্জী বিভাগ

কাৰ প্লেন..... ওৰা জেটপ্লেন।
এতিয়াও .... কিহৰ বাবে
পেলোৱা বোমা, ফুটিছে
হাহাকাৰ, তাণ্ডৱ
মৃত্যু .... ই কি
বিভীষিকা।
হয়তো হ'ব পাৰে ই জাপানৰেই,
সেইযে ১৯৪৫ৰ ......
নিজৰ দেহৰ অংগক আকৌ
খণ্ড কৰাৰ ই যেন
চিৰন্তন ভংগী।
হিৰোচিমা, নাগাচাকিৰ
নৃশংস ধ্বংসলীলা
দেখোন এতিয়াও
মাৰ যোৱাই নাই
আকৌ উদ্ভণ্ডালি, আগ্ৰাসী নীতি
নহয়
ই বাঢ়িছে
চাই আছা নহয়
মাৰ্কিনে লৈ সাজু
বিগ বয়॥

□□□

## প্ৰিয় কানৈয়ান

*মনালিচা চাংমাই*
স্নাতোকত্তৰ ১ম বৰ্ষ

প্ৰিয় কানৈয়ান...।
সাজু হৈছানে তুমি
সমুখ সমৰলৈ....।
দিনক ৰাতি, ৰাতিক দিন কৰিবলৈ
কেতিয়াবা প্ৰয়াস কৰিছানে...?
জীৱনৰ সঁচা উপলব্ধিৰে
মানুহ হোৱাৰ স্বপ্ন দেখিছানে...?
হিয়াৰ কোনত ৰাখিছানে সাঁচি
অগ্নিস্নান কৰাৰ সৎ সাহস...?
হে মোৰ প্ৰিয় কানৈয়ান...
সহস্ৰাব্দৰ প্ৰভাতী বেলাত
তুমি যেন থমকি নোৰোৱা,
পোহৰৰ ছাকি গছি
হাতত লৈ
তুমি হোৱা অগ্ৰগামী
চিৰ-সেউজ ভ্ৰাতৃত্বক প্ৰেমেৰে
আঁকোৱালি লবা নৱাগতক...,
পঙ্কিলতাত ডুব, গৈ থকা
কলেজৰ গৌৰৱ
তুমি উদ্ধাৰ কৰা....
প্ৰিয় কানৈয়ান...
তুমি যেন থমকি নোৰোৱা
তুমি অগ্ৰগামী হোৱা
যুগৰ প্ৰত্যাহ্বানক
আঁকোৱালি লোৱাঁ....।

□□□

# কানৈয়ান

*শ্ৰী প্ৰদীপ শৰ্মা*
দ্বাদশ শ্ৰেণী
বিজ্ঞান শাখা

কিদৰে আদৰো
তোমাক
অ মোৰ কানৈয়ান।
তুমি হলা
আমাৰ
জ্ঞান বিকাশৰ মঞ্চ।
নৱ প্ৰজন্মৰ
তুমি
প্ৰতিভা, তুমি অনন্যা।
তোমাৰ কোলাতে
পোৱা যায়
নৱ প্ৰজন্মৰ লেখা
তোমাৰ যোগেদিয়েই
আমাৰ পৰিচয়
আমাৰ প্ৰতিভা
বৰ্ত্তি আছে
তুমিয়েই দিছা
জগৎবাসীক
আমাৰ জ্ঞানৰ সম্ভাৰ
সুৰ্য্যোদয়ৰ পৰা
সুৰ্য্যাস্তলৈ
আদিৰপৰা অন্তলৈ
তুমিয়েই বান্ধিছা
আমাৰ অস্তিত্ব।
তোমাৰ পাতে,
পাতে,
বাহি উঠে,
কানৈ কলেজৰ
বৃহৎ গাথা।
সেই কলা কৃষ্টি
মানৱতা সংহতি,
সকলো।
ধৰি ৰাখা,
তুমিয়েই।
জাতি ভেদ
নেওচি
তুমি ৰক্ষা কৰা সমতা।
হে কানৈয়ান
তুমি
আমাৰ সকলোৰে।
মানসপটত
চিৰ পৱহমান
হৈ আছা
আৰু ভৱিষ্যতেওঁ থাকিবা।
যুৱ প্ৰজন্মৰ
উত্তম স্ৰষ্টা
হে কানৈয়ান।
তোমাক
কোটি কোটি
প্ৰণাম।

□□□

# তলসৰা পাহি

*অভিজিৎ সোনোৱাল*
স্নাতোকত্তৰ ১ম বৰ্ষ

লিখিছিলো ছাগে কেতিয়াবা কেতিয়াবা
অগভীৰ কিছু শৰীৰ কবিতা
নিৰৰ্থক কিছুমান শব্দ
যাৰ অৰ্থ কোনেও বুজি নাপায়।
তুমিও হয়তো নাপাবা বুজি
সেই অৰ্থ মাথো মই জনা।
নিলীমাৰ শূন্য আকাশত
তুমি তাক ৰাতিহে দেখিবা
মই কিন্তু দিনতো দেখো,
দিনৰ সেই তৰাটোৱে
মাথো মোলৈ চায় চকু টিপিয়াই
হিয়াৰ বতৰা জনায়।
তুমি নেদেখা.....
তলসৰা বকুলৰ পাহিবোৰে
মোলৈ কৰুণ দৃষ্টিৰে চায়,
হুমুনিয়াহ কাঢ়ি কয়-
শুনি যোৱা মোৰ অন্তৰৰ
শূন্য বেদনাৰ আহ্বান
মোৰ প্ৰিয়াক লগ পালে কবা
তোমাৰ বাবেই
আজিও মই তলসৰা পাহি
অন্তত তুমি অহালৈ
মই বাট চায় ৰম
একোটা তলসৰা পাহি হৈ।

□□□

# জীৱনৰ পথত

*কাকলি দত্ত*
স্নাতোকত্তৰ ১ম বৰ্ষ
নৃতাত্ত্বিক বিভাগ

জীৱন,
জীৱন মাথোঁ এক অচিনাক্ত ছবি
ইয়াত খোদিন প্ৰতিটো ৰং
হব পাৰে ৰহা, হব পাৰে সেউজীয়া
হব পাৰে বগা, উকা কাগজৰ দৰে,
এই দুদিনীয়া জীৱনৰ উষ্ণ আবেগে সাৰটিছে আমাক
প্ৰতিজনে সাৰটিছো এটি নতুন, দুৰ্লভ সপোন,
কিহৰ বাবে বাৰু...
কাণত গুঞ্জৰি উঠিছে এক অবুজ সুৰৰ প্ৰতিধ্বনি
এক আস্থাহীন প্ৰতিশ্ৰুতিৰ উন্মাদনাৰে উন্মাদ হৈ
আমি অগ্ৰসৰ,
এটি অজ্ঞাত পথৰ দিশত...
কিবা এক সম্পূৰ্ণতাৰ সন্ধানত...
পিছে,
এটি ধূসৰ গধূলিত উভতিছো আমি
বুকুৰ ভিতৰত পিন্ধি, সেই সপোনৰ
একেই আধাসীয়া চোলাটো
অথচ, আমি উপায়হীন,
সেয়া হয়তো আমাৰ কপালৰে ৰং
নাই, সেই ৰং মচিব পৰা শক্তিকণ,
নাই যে সেই সপোনবোৰ পূৰ কৰিবলৈ কৰা
চেষ্টাবোৰৰ কোনো বিকল্প প্ৰথা
ভগ্ন হৃদয়, ক্ৰন্দসী মন
সৌৰা চোৱাঁ,
ক্লান্তময় হৃদয়ৰ বেদনাৰ নৈ
যত উপঙি ফুৰিছে
আধাৰুৱা সপোনৰ কোবাল ঢৌবোৰ,
যাক, সময়ৰ বানে, পাহৰণিৰ সোঁতে
উটুৱাই লৈ যায়,
দূৰলৈ, বহু দূৰলৈ,
দূৰ দিগন্তৰ সিপাৰলৈ.....

❑❑❑



# আশা

*শ্ৰী দীপজ্যোতি গগৈ*
স্নাতোকত্তৰ ১ম বৰ্ষ
কলা শাখা

আশা আছিল মাথোঁ যিমান
কিন্তু ই ৰল দূৰত,
অসহ্য বেদনাবোৰ কিদৰেনো
শান্ত্বনা দিওঁ মনত।
আশাৰে ভৰা পৃথিৱীত
কিমানযে আশা যায় বৈ
এটি যুগ-যুগান্তৰলৈ,
হাঁয় দুখীয়া কপাল তোৰ
পাবলৈযে একোৱে নাই
সপোন কিয় আশাতীত?
দিঠকত নহয় ৰূপান্তৰ
দুখীয়া কপাল বুলিয়েই
ঈশ্বৰেও নাচায় তোক,
আবেগৰ অনুভূতিবোৰে আগুৰি আহি
জুমুৰি ধৰেহি মনত মোক।
আশা মাথোঁ আশা
আশা মাথোঁ যায় বৈ
সুদূৰ অসীমৰ বুকুলৈ।

□□□

# এপাহ নতুনকৈ পাহি মেলা ফুল

*অভিজিৎ হাজৰিকা*
উঃ মাঃ ১ম বৰ্ষ (কলা)

তুমি মোৰ বন্ধুত্বক আদৰি,
মোৰ বন্ধুত্বৰ মজিয়াত যোগ হলা
এপাহ নতুনকৈ পাহি মেলা ফুলৰ দৰে।
তুমি নিজৰ কোনো চৰ্ত নোহোৱাকৈ
তোমাৰ মনৰ ভাষাক প্ৰকাশ কৰিলা
এপাহ নতুনকৈ পাহি মেলা ফুলৰ দৰে।
তোমাৰ মুখৰ হাঁহি,
তোমাৰ হৰিণী নয়নে মোক আনন্দ দিয়ে
এপাহ নতুনকৈ পাহি মেলা ফুলৰ দৰে।
তোমাৰ সৰলতা আৰু মনৰ উদাৰতাই
মোক মুখৰিত কৰি তোলে
এপাহ নতুনকৈ পাহি মেলা ফুলৰ দৰে।
তুমি মোৰ বন্ধুত্বৰ ফুলনি
সুন্দৰকৈ সজাই তুলিলা
এপাহ নতুনকৈ পাহি মেলা ফুলৰ দৰে।
মোৰ বন্ধুত্বৰ ফুলনিত সুবাস বিলাই
তুমি ফুলি ৰবানে উৰে জীৱন?
এপাহ নতুনকৈ পাহি মেলা ফুলৰ দৰে।

□□□


# এক অনুভূতি

*কল্যাণজ্যোতি দেউৰী*
স্নাতোকত্তৰ ১ম বৰ্ষ
বিজ্ঞান শাখা

আশাহৰ চকুৰে বৈ আছো
মাথোঁ তোমাৰ বাবে
জীৱনৰ এই অন্তহীন বাটত
তুমি এবাৰ আহিবা বুলি।
নিৰাসাৰ অশ্রুৰে আৱৰা জীৱন
মোৰ অন্ধকাৰে ভৰা
আশা কৰো তুমি আহি
উজ্বলময় কৰি তুলিবা
এগজ বন্তিৰ দৰে।
বিষাদৰ পদুলিত
তুমি আহি কেনি গলা
আদৰিছিলো তোমাক
আকোঁৱালি লম বুলি দুবাহুত।
মোৰ দুখৰ চোতালত
তুমি আহি কেনি গলা
তোমাক যে মোৰ, দুখৰ সতে
চিনাকী কৰোৱাই নহল।
সময় পালে মোৰ ঘৰলৈ আহিবাচোন
মৰমৰ টকুৰাৰে সজা
মোৰ সুকোমল ঘৰটো
জহি পিম যাব ধৰিছে
বহু চেষ্টা কৰিছোঁ মই
তথাপিতো পৰা নাই
পুনৰ ঠন ধৰাব।
বাহিৰতে থাকিম বৈ
তোমাৰ অপেক্ষাত
অধীৰ আগ্রহেৰে
সময় পালে আহিবাই...
গায়ত্রী মন্ত্ৰৰূপে কৰিছোঁ উচ্চাৰণ
তোমাৰ কবিতা
মোৰ স্বপ্নত দেখা যায়
তোমাৰ মিঠা স্মৃতিৰ শলিতা।
কি দৰে বুজাম তোমাক
মোৰ মনৰ এই কথা,
তোমাৰ অবিহনে যে
মোৰ এই জীৱন, তেনেই আধৰুৱা।

□□□

# বিশ্বকাপ ক্রিকেট ২০০৭



*যোগেন দত্ত*
স্নাতক ১ম বৰ্ষ
কলা শাখা

খেলপথাৰত নামি দ্ৰাবিড়ে টছটো জিকি,
ভাবিলে বলকে দুটামান মাৰোঁ প্ৰথমতে নেকি?
তেওঁ পাঠানৰ হাতত বলটো তুলি দিলে,
লগে লগে গিলখ্ৰীষ্টৰ মূৰ কামোৰণি হবলৈ ধৰিলে।
ভাবিলে আজি সম্ভৱ নহয়, ভাগ্য ভাল,
পাঠান বোপাই ইনছুইং এটা দিলত হল তাৰ কাল।
পণ্টিঙৰো আজি পুৰাৰেপৰা চলি আছে পেট,
খেল পথাৰতে জোৰকৈ লগাত কাপোৰ হল লেট পেট।
ক্লাৰ্ক মাৰ্টিনে ইনিংছ চম্ভালি খেলিছে চাই চিতি,
তাকে দেখি কেপ্তেইন দ্ৰাবিড়ে হৰভজনক আনিলে মাতি।
মাৰ্টিনে মাৰিলে এটা চাৰি প্ৰথমটো বলত
শেষৰটোত যুৱৰাজে কেচ ধৰাত পেভিলিয়নলৈ উলটি গল
ক্লাৰ্ক ছাইমণ্ডছে নিলে দলটোক ২৮০ লৈ আগুৱাই,
ভাগৰ লগাত ইহঁত দুয়ো নিজ উইকেট হেৰুৱায়।
কেংগাৰু বাহিনী ২৯০ ৰাণত অল আউট হয়,
দ্ৰাবিড়ে কলে আজি হবই অষ্ট্ৰেলিয়াৰ পৰাজয়।
শচীন-ছেহৱাগে আহিয়েই মাৰিলে উধাই-মুধাই,
পণ্টিঙৰ প্ৰেছাৰ উঠাত মাৰ্টিনে আনিলে নহৰু খুন্দাই।
ব্ৰেট লীয়ে কলে চিন্তাৰ একো কাৰণ নাই,
এনেকুৱাকৈ বল দিম যাতে মূৰ ফালি যায়।
লীয়ে এটা বাউন্সাৰ দিওঁতে নিজৰ কঁকাল ভাঙিলে,
তাকে দেখি আমাৰ শচীনে টিকা ঘূৰাই ঘূৰাই নাচিল।

পোনছাটেই লীক থলেগৈ হাস্পাতালত,
কেতিয়াও আৰু বাউন্সাৰ নিদিওঁ বুলি সি হেনো খাইছে শপত।
শচীন-ছেহৱাগে চেঞ্চুৰী মাৰি আউট হৈ গল।
তেতিয়াহে পণ্টিঙৰ প্ৰেছাৰ কিছু নৰ্মেল হল।
ধোনী-যুৱৰাজ দপদপাই লাগিল বেটিং কৰাত,
তাকে দেখি ভগৱানেও খাই গল থতমত।
জনছনৰ বল এটাত ধোনীৰ ব্ৰহ্ম ছিক্সাৰত,
ভাৰত আহি উপনীত হল সাফল্যৰ শিখৰত।
দ্ৰাবিড় বাহিনীয়ে বিশ্বকাপ হাতত তুলি ললে,
শোকে, দুঃখে পণ্টিং বাহিনীয়ে লাজত তলমূৰ কৰিলে।

□□□

## সাগৰিকা


*জিতুল সোনোৱাল*
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)



তুমি
সুৰভি সুষম সুৰাংগনা
হলা তুমি নিৰভিমানী
সুষমাৰ গৰাকী
সুহৃদ মোৰ তুমি।
পুলকিত হওঁ
তোমাৰ সাক্ষাতত
দেখি তোমাৰ ওজস্বিনী সুষমা
চৌদিশে আছা মোৰ
মাথোঁ তুমি।
উজাগৰি নিশাৰ বুকুত
তোমাৰেই ছবি দুচকুত
মোৰ সুৰাগত নাই কোনো পৰিসিমা
নহবও পাৰো কোনো গুৰুত্বৰ ব্যক্তি তোমাৰ
কিন্তু মোৰ চকুত জিলিকি থাকিবা
মাথোঁ তুমি।
তুমি
আদিত্যৰ কিৰণ
ৰাতিৰ জোনাকী পৰুৱা
হে সাগৰিকা
তোমাক পাবলৈ মেলিছো হাত
জিৰাবলৈ দিবা বুলি মোক
তোমাৰ আঁচলৰ ছাঁত। ❑❑

## সংজ্ঞাহীন শব্দৰ উচুপনি

*নাশিম আৰা বেগম*
উঃ মাঃ ১ম বৰ্ষ (বিজ্ঞান)



সৰাপাতৰ শব্দেৰে
জয়াল হোৱা মাজনিশা
কোনো নৰপিশাচৰ অট্টহাস্য
তুমিও কেতিয়াবা শুনানে...
বাৰুদ আৰু ৰক্তৰ
মিশ্ৰিত গোন্ধৰ মাজত
প্ৰেমৰ সুবাস বিচাৰি তুমিও
কেতিয়াবা হাবাথুৰি খোৱানে
নিদ্ৰামগ্ন জগতক জগাই তুলি
আন্ধাৰৰ বুকু বিদীৰ্ণ কৰি
প্ৰবাত আঁজুৰি আনিবলৈ
তুমি বাৰু কেতিয়াবা প্ৰয়াস কৰানে...
নতুবা
কলম আৰু কল্পনাৰ
মধুৰ মিলন ঘটাই
তুমিও কেতিয়াবা সৃষ্টি কৰানে
এটা প্ৰতিশ্ৰুতিবদ্ধ আফুল কবিতা...।

❑❑❑

# পূৰ্ণিমাৰ এটি জোনাক নিশা

*শ্ৰীমতী পপী হাজৰিকা*
স্নাতক ১ম বৰ্ষ
ৰাজনীতি বিজ্ঞান (অনাৰ্চ) বিভাগ

পূৰ্ণিমাৰ এটি জোনাক নিশা
তুমি আহিছিলা মোৰ মনৰ পদূলি গছকিবলৈ
মনৰ পদুলিৰ পৰা তুমি মোক ৰিঙিয়াই মাতিছিলা
মই হুকামকাকৈ তুমি ৰিঙিয়াই মতা শুনিছিলো
সেইদিনা তুমি সোমাইছিলা মোৰ হৃদয়ৰ পঁজা ঘৰত।
সেইদিনা পূৰ্ণিমাৰ জোনটোৱে মোলৈ চাই হাঁহিছিল
নানা ৰং বিৰঙৰ আবীৰে মোৰ মন পদূলি
তুমি সজাই পেলাইছিলা।
সাতো ৰঙীৰে উজ্বলি উঠিছিল মোৰ হৃদয়,
এদিন হঠাৎ তুমি ভাঙি পেলাইছিলা
মোৰ হৃদয়ৰ পঁজাটি।
মইতো জনা নাছিলো
তুমি অন্য এটি হৃদয়ৰ পঁজাৰ বাসিন্দা
সেয়ে ছাগে তুমি মোৰ হৃদয়ৰ পঁজাটি
আধৰুৱা কৰিলা।
আধৰুৱা হল মোৰ সোণালী সপোন
তুমি আকো আহিবানে, মোৰ ভঙা পঁজাটি সজাবলৈ?
দিঠকত নহলেও সপোনতে এবাৰ আহিবা
মোৰ আধৰুৱা পঁজাটি সজাবলৈ।
দিঠকত নহলেও সপোনতে এবাৰ আহিবা
মোৰ আধৰুৱা পঁজাটি সজাবলৈ।
তুমি অহাৰ বাটলৈ মই বাট চাই থাকিম
মনৰ পদূলিত ৰৈ তুমি মোক আকৌ ৰিঙিয়াই মাতিবা।
তোমাৰ বাবে সদায় খোলা থাকিব
মোৰ হৃদয়ৰ দুৱাৰ। □□



# অনুভৱ

*সৌৰভ দলে*
স্নাতক ২য় ব

আজি বহুদিন হল তোমাক নেদেখা
পৰনে মনত তোমাৰ মোলৈ এই নিজান পৰত,
দেখানে কেতিয়াবা নিৰ্জন ৰাতিৰ আকাশত মোৰ প্ৰতিচ্ছবি
পাতানে কথা জোনাকৰ সতে সুখ দুখৰ,
পৰেনে মনত তোমাৰ লুইতৰ সেই ভৰ দুপৰীয়া
কিমান যে কথা পাতিছিলো ঝাওঁ গছৰ আঁৰে আঁৰে
কৃষ্ণচূড়াৰ তলত বহি দুয়ো দুয়োৰে হোৱাৰ।
পাইছিলা নে গৰখীয়াৰ সেই পাৰ গোন্ধ
লাহে লাহে দূৰলৈ যোৱা গৰখীয়াৰ নাম।
অনুভৱ কৰিছানে কেনেকৈ কটাও
তোমাৰ অবিহনে দিন আৰু ৰাতিবোৰ,
হয়তো তুমি নুবুজিবা কাৰণ
তুমিতো মোৰেই এটা মিঠা অনুভৱ।

□□□

# হৃদয়ে মৰম বিচাৰে

*সুভাষ পাত্ৰ*
স্নাতক ১ম বৰ্ষ
অৰ্থনীতি বিভাগ

হৃদয়ে মৰম বিচাৰে
মোৰ হৃদয়খনে মৰম বিচাৰে
দিবানে অকনমান মৰম
যদিহে নিদিয়া,
এই পৃতিৱীত মৰম দিবলৈ
তোমাৰ বাহিৰে আৰু নাই কোনো
মোৰ জীৱনৰ ৰঙীণ সপোনবোৰ
হব জানো বাস্তৱ।
কেতিয়াবা এনে লাগে যেন
সপোনবোৰ মোৰ সপোন হৈয়ে ৰব।
মৰম আকলুৱা এই হৃদয়খনে,
বিচাৰে যে মৰমৰ পৰশ।
সঁচাই নেকি মই বাৰু বৰ কুৎচিৎ
কিয় বাৰু সকলোৱে মোক মৰমৰ পৰা
কৰিছে বঞ্চিত?
মই যে নিচেই দুখীয়া
নিচলা ঘৰৰ লৰা,
সেয়ে মোক সকলোৱে
নোৱাৰে দেখিব।
মই যে বৈ আছো অকনমান
মৰমৰ বাবে
দিবানে মোৰ হৃদয়ক,
অকনমান মৰম সৰ্বজনে।



□□□

# এতিয়া যে মই যাব নোৱাৰো

*স্মৃতিৰেখা মোহন*
*প্ৰাক্তন ছাত্ৰী*


জোনাকীৰ কান্ধত হাত থৈ গৈছিলো
সিদিনা তোমাৰ পদুলিয়েদি।
কিয় বাৰু,
শেষবাৰৰ দৰে
এইবাৰ শেৱালিজোপাৰ অলপো সুবাস নাপালো,
হয়তো ফুলবোৰো নুফুলা হৈছিল
সপোন ভগাৰ ৰেখাত
বাৰু
তোমালোকৰ ঘৰৰ পিছফালৰ
পথাৰখনো এতিয়া তেনেই উদং ছাগে??
সাৰ পায় উঠা সপোনৰ দৰে
এদিন তাতেই যে
কিমান সপোন ৰচিছিলো
এবুকু সেউজীয়াৰ সতে তোমাৰ হোৱাৰ,
এতিয়া ......... আৰু
এতিয়াযে মই যাব নোৱাৰো
বান্ধোন চিঙি
সিটো পাৰলৈ
নিৰবধি নদীৰ সোঁতক নেওচা দি
তোমাৰ কাষলৈ
অকলসৰে
গোপনে.... ॥

□□□

# টেনচন

শুভাশীষ গগৈ
উঃ মাঃ ২য় বৰ্ষ (কলা)

টেনচন, টেনচন মাথো টেনচন
প্ৰাৰ্থীৰ টেনচন আহিছে ইলেকচন
হবই লাগিব এইবাৰ চিলেকচন
চিলেকচন হলেই কৰিব কালেকচন।
টেনচন টেনচন সকলোতে টেনচন
বুঢ়াক লাগে পেনচন, বেকাৰক লোনৰ টেনচন
প্ৰেমিকৰো টেনচন,
মনৰ কথা প্ৰেমিকাক কৰিব নোৱাৰে মেনচন।
টেনচন টেনচন আৰু আছে টেনচন
আৰামত ঘূৰিব নোৱাৰি
বেয়া বোলে চিটুৱেচন
বিহুতো টেনচন
সতকাই নিদিয়ে কোনেও
মোটা মোটা ডনেচন।
পিতৃৰ মূৰতো টেনচন
একমাত্ৰ পুত্ৰ বোলে
ৰসাতলে Already gone
হয়তো এই কুলাঙ্গাৰে
খাব বংশৰ মান।
নববিবাহিতৰ টেনচন
হনিমুনৰ বাবে ঘূৰ্মুটিয়াইছে
বিচাৰি beautiful লোকেচন



পক্কা প্ৰেমিকাৰো চলে
আনৰ লগত ৰিলেচন
এই কথা জানি প্ৰেমিক বপুৰাৰো
বেয়াই বোলে কণ্ডিচন।
জুৱাৰীৰো টেনচন
ডবল গুটিত লুটি খাই
ভেটি মাটি কৰিলে উচন
সুদখোৰ হৰেও আহি দিছে
ঘৰত পাভ চোচন
আৰু বেচি লিকিলে মোৰ হব টেনচন
ঘৰতে আহি লৈ লব একচন
আৰু যদি জানিব খোজে
মোবাইলত ডায়েল কৰক
আপোনাৰ বাবে মোৰ মোবাইলত
সদায় Switch on.

□□□

# মাতিবানে কাষলৈ তুমি ?

*বিদ্যুত কুমাৰ গগৈ*
স্নাতক, প্ৰথম বৰ্ষ (কলা)

মেঘৰ মোহনত জিলিকি থকা,
সেই যে পূৰ্ণিমাৰ নিশাৰ জোনটি,
দেখিবলৈ কিমান যে, ধুনীয়া,
ভাৱিলেই ভাল লাগে জানা,
এনেলাগে যেন সেই সময়ত
তুমি যে মোৰ কাষতে আছা।

কুলিৰ দৰে শুৱলা তোমাৰ,
মু-সনা মুখৰ পৰা ওলোৱা মাততিয়ে,
তুমি যে, মাতা কাষলৈ আহা বুলি,
এনে লাগে যেন সেই সময়ত মোৰ,
লম যেন তোমাক আজি,
মোৰ বুকুৰ মাজতে দু-হাতেৰে সাবুটি।

বুকুখন বৰকৈ কান্দিৱলৈ লয় জানা,
যেতিয়া তুমি কোৱা খঙেৰে নামাতিবা বুলি,
এনে লাগে যেন সেই সময়ত মোৰ,
তুমি যেন যাৱাগৈ সদায় বাবে,
মোৰ পৰা আঁতৰি"

যাৱা জানো তুমি মোৰ পৰা আঁতৰি,
কৰানে বাৰু আজি নিজানতে বহি তুমি,
সচায়ে কোৱা চোন তুমি,
যাৱা জানো তুমি মোৰ জীৱনৰ পৰা
সদায় বাবে আঁতৰি।।


□□□

# এদিন

মূল হিন্দী ঃ *জগবীৰ ত্যাগী*
অনুবাদ ঃ *শ্ৰী কৃষ্ণকান্ত বৰদলৈ*
(প্ৰৱক্তা হিন্দী বিভাগ)

এদিন ৰুটি হ'ব
কিন্তু নহ'ব ক্ষুধা
এদিন বিচনা হ'ব
কিন্তু নহ'ব টোপনি
এদিন আইনা হ'ব
কিন্তু নহ'ব চেহেৰা
এদিন সকলো সুখ-সুবিধা হ'ব
কিন্তু নহ'ব জীয়াই থকাৰ ইচ্ছা
এদিন উৎপন্ন হ'ব
মৰাৰ তীব্ৰ উৎকণ্ঠা
কিন্তু নহ'ব মৃত্যু।

□□□



# অতীত

*সূৰ্য্য দত্ত*
স্নাতক প্ৰথম বৰ্ষ (কলা শাখা)

ভাল লাগে মোৰ দাপোন
নিজকে নিজে চাওঁ,

ভাল লাগে মোৰ কুলিৰ মাত
হেৰুৱা অতীতক বিচাৰি পাওঁ।

ভাল লাগে মোৰ জোনাক ৰাতি
স্মৃতিৰ শলিতা জ্বলাওঁ,

ভাল লাগে মোৰ সপোন
বিচৰা সকলোবোৰ যেন কাষতে পাওঁ



# স্মৃতি

স্মৃতি প্ৰতিটো - টোপোলাত
তোমাৰ আলফুলীয়া পৰশ,
স্মৃতিৰ প্ৰতিটো সুৰত
তোমাৰেই হৃদয় কঁপোৱা গীত।

হৃদয়ৰ প্ৰতিটো স্পন্দনে
তোমাক চিঞৰি মাতে,
হৃদয়ৰ প্ৰতিটো কোণত
তোমাৰেই ছবি ভাঁহে।

□□□

# আশাৰ দোমোজাত

*টুটুমনি গোঁহাই*
প্ৰথম বৰ্ষ (কলা)

নিৰ্মল আকাশৰ
বহল বুকুত
বিচাৰি ফুৰিছোঁ
সীমাহীন আশাৰ
কত বিষাদ
কত বেদনাৰ
জানোচা ইয়াৰ
যৱনিকা ক'ত ........
দিবানে আজি
হিয়া উদঙাই
অফুৰন্ত আশাৰ
বিচাৰি যাম
দূৰ দিগন্তলৈ।


□□□

# কলীয়া ডাৱৰৰ আৱৰণ

*হফিজুৰ ৰহমান*
স্নাতক ২য় বৰ্ষ (কলা)

কলীয়া ডাৱৰৰ আৱৰণৰ মাজত
দুটি নীলা হ্ৰদ,
তাৰ পৰাই দুখনি নৈ
জোনাক নিশা,
নৈশব্দৰ নিৰলতা
নৈৰ থিয় গড়া
মোৰ প্ৰিয় ঠাই।

□□□



# কল্পনাত পৰীণিতা

*শ্ৰী বিভূতি ভূষণ বৰুৱা*
উঃ মাঃ দ্বিতীয় বাৰ্ষিক (কলা)

কোনো অজ্ঞাত সুধাময় খেনত
মোৰ হিঁয়াৰ এক অবুজ উপলব্ধি,
সংজ্ঞাবিহীন উৎফুল্লিত এক উন্মনা,
সেইয়া-পৰি।
তুমি তৃপ্তিৰ কেটাক্ষ এটি
চাইলোৱা সুৰদি ছেগত,
যি আলেঙে দিয়ে প্ৰণয়ৰ
শীতল পৰশ হিঁয়াত, সেইয়া পৰি।
প্ৰেমতৃষ্ণা জগোৱা প্ৰাণত
কাজলী সেমেকা নয়নে,
অতৃপ্তি উদগোৱা লাস্যময়ী অহল্যা,
সেইয়া পৰি।
গভীৰ সমুদ্ৰয়েন দুচকুত
চাঁৰনীৰে অপূৰ্ব লালিত্যৰে
পলাশী ওঁঠেৰে, সৰল হাঁহি,
সেইয়া পৰি।
তোমাৰ খোজ, উন্নত চঞ্চল বতাহ
যাৰ ফল্মু যেন সৰলতাত,
বাংময় মোৰ হৃদয়,
সেয়া পৰি।
তুমি নিজনতাৰ সংগী মোৰ
সুৰাঙ্গিণী হৈ অলীক স্বপ্নত.

যাক সপোনত লৈ বিভোৰ হোৱা
মোৰ অশান্ত মনৰ বিমল শান্তি
সেইয়া পৰি।
তুমি দাৰী নহয় মোৰ
দাবী অকৃত্ৰিম প্ৰেমৰ সত্যতাৰ,
লিপ্সা নাই কঠিন দিঠক হওঁক
মাথো নাই অৱকাশ যাক পাহৰাৰ-
সেইয়া পৰি।।



# ধেমাজিৰ ছোৱালী তুমি

*শ্ৰী লোহিত ডেকা (পাপু)*
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

ধেমাজিৰ ছোৱালী তুমি
দূৰ্ভগীয়া কবি মই
হাতত তুলি ল'লোঁ কলম
কবি হ'বলৈ ..................
এজন প্ৰেমৰ কবি
তোমাক দেখাৰ পৰা
আজি মই মকৰা জালৰ দৰে
বহুতো সপোন গুঠিছো হৃদয়ৰ এচুকত
হয়তো ক্ৰমশঃ তোমাৰ প্ৰেমত পৰিছো
শিমলু তুলাবোৰ উৰি অহিছে মোৰ কাষলৈ
ধেমাজিৰ বতৰা লৈ
কেনে আছা মোৰ সোণজনী
তোমাক চিৰদিন জিৰাব দিম মোৰ হৃদয়ৰ দলিচাত
এদিন তোমাৰ ওচৰলৈ যাম
মনৰ কথা কম
হাত বাউল দি মাতিম তোমাক কাষলৈ
লুইতৰ বুকুৰেদি সাঁতুৰি যাম ধেমাজিলৈ
তোমাৰ ওঁঠৰ পাহাৰত এৰি থৈ আহিম
হাঁহিৰ নিজৰা .......
তোমাৰ মুখন মেলি দিম
কথাৰ নৈ .......
জিৰাম এদিন তোমাৰ ৰেচমী চুলিৰ আন্ধাৰত
তিতিম এদিন ধেমাজিৰ বৰষুণত
দুবাহুৰ মৰমত তিতি বুৰি উজাৰি দিবা প্ৰেমৰ ভোক
মোক আজি তিতিব দিয়া
ধেমাজিৰ বৰষুণত
আজি তুমি বৰষুণ হবা, মোৰ বৰষুণ
এটোপ-দুটোপ কৈ বাগৰি পৰিবা
মোৰ সমস্ত শৰীৰত
আবেগৰ মৌসনা টৌ হৈ ........

□□□

# কথাবোৰ শেষ হৈ গৈছে

*শ্ৰী বিশ্বজিৎ চেতিয়া*
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

তেনেহ'লে কি ক'ম !
কথাবোৰ শেষ হৈ গৈছে,
বিমূৰ্ত হৈছে কলেজ বিল্ডিঙৰ চাদৰ ধোঁৱাত!
সি আৰু মই আমাৰ আড্ডাৰ
ৰম্যপুৰী কলেজত লগ হওঁ,
আমাৰ মননশীল আৱেগবৰ্জ্জিত
আড্ডাই ক'লৈ যে উৰা নামাৰে!
কোনোবাই কিবা কৰে নকৰে
আমাৰ খেয়াল নাই
আমি মতলীয়া পি
আলৌকিক আপঙৰ বাটি,
সাময়িকভাৱে হলেও পাহৰি পেলাওঁ
মোৰ দুখ বেদনা-হতাশা আদি;
আড্ডা মানে কি আৰু
অভং-গজং আমাৰ কবিতাবোৰ,
হলিউদ-বলীউদৰ হিট পিকচাৰবোৰ
ফেছন টিভি, মল্লিকা, বিপাশা .........
কেতিয়াবা ..........
আজি কলেজত বোমা দিওঁ আহ!
নটিছবৰ্ডত দিওঁ আহ এটা ফটং ন'টিছ ...
... আদি আলোচনা
আৰু আলোচনা -
'মদ খোৱাটো ভাল ...'



আমাৰ থিঅ'ৰিটো,
তাৰ ছেল্‌ফ ডিফেন্স কৰাৰ অভিজ্ঞতাটো,
সাদৰী সকলক প্ৰেম নিবেদনৰ
দহোটা কিটিপ ... ইত্যাদি ইত্যাদি!
কিযে এক অবুজ আমেজ পাওঁ এনেদৰে
কবিতাৰ এই এটা শাৰী আমাৰ
আনন্দৰ সৌষ্ঠৱ, হাঁহিৰ উৎস,
ধেৎ! ধেৎ! ভয় লাগে
এই লঘুটোক বৰ ভয় লাগে
কোনোবাই লঘু বুলি ইতিকিং কৰে যদি!
কিন্তু! আজি কি কওঁ!
কথাবোৰ দেখোন হেৰাই গৈছে!
মনৰ মানুহজনীয়েও নোচোৱা হ'ল ...
যাৰ বাবে মোৰ প্ৰেম প্লাৱিত
উভৈনদীয়ে বানো আনিব পাৰে,
যাক দেখিলে মোৰ মন যায়
মন ভাৱনাৰ কাপোৰ-কানি খুলি
এটা এটাকৈ দলিয়াই দিবলৈ!
আজি নিজকে পাগল পাগল লাগিছে!
আমি হতাশাত ভাগি পৰিছো,
পদে পদে লঘু হোৱাৰ ভয়!
ভাবোঁ! ছিগাৰেট এটাকে খাই আহোঁ
সেইটোও নোৱাৰোঁ

বুকুখনহে বিষায়!
সি কয় 'আমি শুদ্ধনে'?
ইমান বিশাল দুনীয়াখনতো
ভূল হ'ব নোৱাৰো!!
তেনেহ'লে কৰোঁ কি?
কথাবোৰ শেষ হৈ গৈছে!
পঢ়া-শুনাটো কি আমাৰ কাম...
নহয়! .... ধান্দাবাজ মানুহৰ কাম! হাঃ হাঃ

কিযে এক মানসিক অক্লান্তিৰ
অপ্রয়োজনীয় বোজা!
সমাজ জীৱনত আমাৰ প্রয়োজন নাই
প্রয়োজন আছে ধৰণী উদ্ধাৰৰ পণ কৰা
সংগঠনবোৰত!!!
তাটো এটা কিন্তুহে আছে!
ছিজনটো শেষ হ'ল
তেনেহ'লে কি ক'ম!!

❑❑❑